
পাতিদৰং মহাবিদ্যালয় আলোচনী
অষ্টাদশ সংখ্যা
ইং ২০০৭-২০০৮ বৰ্ষ
PATIDARRANG COLLEGE
তত্ত্বাৱধায়ক
তপন কুমাৰ শৰ্মা
সম্পাদক
অম্বিকা প্ৰসাদ বড়ো

# আলোচনী

## পাতিদৰং মহাবিদ্যালয়

অষ্টাদশ সংখ্যা

ইং ২০০৭-২০০৮ বৰ্ষ

# PATIDARRANG COLLEGE MAGAZINE

Year 2007-2008

19th Year : 18th Issue

নৱবৰ্ষৰ শুভেচ্ছাৰে-

মাননীয়/মাননীয়া,....................................................................

.......................................................................................

.......................................................................লৈ আগবঢ়ালোঁ।

—সম্পাদক


তত্ত্বাৱধায়ক

তপন কুমাৰ শৰ্ম্মা

সম্পাদক

অম্বিকা প্ৰসাদ বড়ো



# পাতিদৰং মহাবিদ্যালয় আলোচনী

ইং ২০০৭-২০০৮ বর্ষ

উনবিংশ বছৰ - অষ্টাদশ সংখ্যা


## সম্পাদনা সমিতি

উপদেষ্টা

শ্রীগিৰিধৰ শর্মা

তত্বাৱধায়ক

শ্রীতপন কুমাৰ শর্মা, প্রবক্তা

সম্পাদক

শ্রীঅম্বিকা প্রসাদ বড়ো

সদস্য

শ্রীদুলাল শৰ্ম্মা, প্ৰৱক্তা, মুকুটৰ ৰহমান, প্ৰৱক্তা

শ্রীকল্পনা বসুমতাৰী, প্ৰৱক্তা

শ্রীঅমল বড়ো, শ্রীভদ্রেশ্বৰ দাস

শ্রীঅৰূপ ডেকা

প্রকাশক

ছাত্র একতা সভা

পাতিদৰং মহাবিদ্যালয়

বেটুপাত পৰিকল্পনা ঃ শ্রীদুলাল শৰ্ম্মা, প্ৰৱক্তা

অংগ সজ্জা ঃ শ্রীৰমনী মোহন শৰ্ম্মা

মুদ্রন ঃ ব্লু-প্রিন্ট অফছেট

বাইহাটা চাৰিআলি, মহাবিদ্যালয় পথ।

ডি.টি.পি. -

## শ্ৰদ্ধাঞ্জলী



জন্ম ঃ ২৩ -০৩-১৯৮৩
মৃত্যু ঃ ১২-০৮-২০০৮



জন্ম ঃ ০১-০১-১৯৮৭
মৃত্যু ঃ ০৩-১১-২০০৮

আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ বিনয়ী ছাত্ৰী
*জেচমিনা খাতুন* আৰু
স্নাতক দ্বিতীয় বৰ্ষৰ বিনয়ী ছাত্ৰী
*বৰ্ণালী ডেকাই*
আমাক শোকৰ সাগৰত পেলাই থৈ অকালতে ইহলীলা
সম্বৰণ কৰে।
স্বৰ্গীয় বিনয়ীছাত্ৰী দুগৰাকীৰ বিদেহী আত্মাৰ চিৰশান্তি
কামনা কৰি তেওঁলোকলৈ গভীৰ শ্ৰদ্ধাঞ্জলী নিবেদন
কৰিলোঁ।

— সম্পাদনা সমিতি।

कामरुप जिल्ला
(KAMRUP DISTRICT)
दुलाराय बर' फरायसा आफाद
(ALL BODO STUDENTS UNION)
गाः माः + लाः सोः - रङिया
जिल्ला : कामरुप (आसाम), पिन - 781354

Mr. Paresh Ch. Baro
President

फोरमाइनाय :................ 

## Message

तारिख :..10..11..08



TO,

Dear Editor,
Patidarang College Magazine.

I am extremely happy to know that the Patidarang college is scheduled to bring out the 18th edition of its Magazine.

I hope that the literature, cultural and socio-economic aspects of the people living in this greater patidarang region will be properly reflected in the Magazine through the valuable articles collected from the new writers.

I wish the Magazine will be always guided by constructive and noble ideas for overall development of mankind.

With regards.

18/11/08
(Paresh Ch. Baro)
President,
Kamrup Dist/ABSU

# সদৌ অসম ছাত্র সন্থা

## ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H.O. : GAUHATI UNIVERSITY, GUWAHATI-781014

Phone : 2571130, 2602890


ঃ

দিনাংক ঃ ১০-১১-২০০৮



## শুভেচ্ছাবাণী

*'পাতিদৰং মহাবিদ্যালয়', পাতিদৰং মৌজাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। পাতিদৰং হাবিদ্যালয়ে আৰম্ভণিৰেপৰা আলোচনী প্ৰকাশ কৰি আহিছে।*

*এনে এখন আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ বঢ়াব বুলি আঁশা বিলোঁ। আলোচনীখনিত অসমৰ বিভিন্ন সমস্যাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মূল শৈক্ষিক বিষয়ৰ তিফলন ঘটিলে প্ৰকৃতাৰ্থত সাৰ্থক হ'ব।*

*আলোচনীখনি সৰ্বাঙ্গ সুন্দৰ হোৱাৰ বাবে শুভেচ্ছা যাঁছিলো।*

(ড° সমুজ্জ্বল ভট্টাচাৰ্য্য)

উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

## ঘোষনা

কোনো লিখনি পূৰ্বে প্ৰকাশিত অথবা নকল বুলি প্ৰমাণিত হলে সম্পাদনা সমিতি দায়ী নহ

## ক্ষমা প্ৰাৰ্থনা

জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

– সম্পাদনা সমিতি।

## কৃতজ্ঞতা

পাতিদৰং মহাবিদ্যালয় আলোচনীৰ সমূহ লেখক-লেখিকা, অধ্যক্ষ, প্ৰৱক্তা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, আঞ্চলিক ছাত্ৰ সন্থা, পাতিদৰং আঞ্চলিক যুৱ ছাত্ৰ পৰিষদ, পাতিদৰং আঞ্চলিক বড়ো ছাত্ৰ সন্থা আ স্বত্বাধিকাৰী তথা কৰ্মীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

*— সম্পাদন*

# আলোচনী

## কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ



## মাননীয় শ্ৰীযুত গিৰিধৰ শৰ্মা

# সূচীপত্ৰ


অধ্যক্ষৰ কলম
সম্পাদকীয়
কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন
*বৰ্ণালী পাটোৱাৰী* ১
অসমীয়া গ্ৰাম্য জীৱনত লোক সাহিত্য
*সংগীতা বৈশ্য* ৪
যুৱ মানসিকতাৰ প্ৰসংগত
*নিজামুদ্দিন আহমেদ* ১১
পুথি ভঁৰালৰ প্ৰাসংগিকতা
*ভদ্ৰেশ্বৰ দাস* ১৩
প্ৰতাৰণা
*সুনিতা কাকতি* ১৪
"এখন বিশেষ চিঠি"
*মানসী পাটোৱাৰী* ১৭
পূৰ্বজন্মৰ স্মৃতি
*কবিতা কাকতি (মুন)* ১৯
এটা অপ্ৰকাশিত সুৰ
ইছলাম আলী (মন) ২১
সঁহাৰি ঃ *ৰেকিব আহমেদ*
এটি জীৱনৰ সন্ধান ঃ *বন্দনা বৰ্মন*
এটি ভাৱনা ঃ *ৰমেন্দ্ৰ পাটোৱাৰী*
তোমাৰ বাবে ঃ*হৰেশ্বৰ কাকতি* ২৪
মৃত্যুৰ বিজ্ঞাপন ঃ *মছলিমুদ্দিন আহমেদ* ২৫
বহাগ তুমি আহিবা ঃ*ৰবিতা ডেকা (তৰা)*
নতুন জীৱনৰ আবাহন ঃ *বন্দনা বৰ্মন* ২৬
জীৱনৰ পাৰ লগা ঃ *অমল চন্দ্ৰ বড়ো*
ৰাতিপুৱা ঃ জোনতী নাথ ২৭
জীৱন ঃ *দুলাল শৰ্মা*
অবুজ প্ৰেম ঃ*বাণেশ্বৰ বড়ো* ২৮
বহুদিনেই পাৰ হৈ গ'ল ঃ *ৰুমা বসুমতাৰী*
পাহৰণি ঃ *নমিতা কাকতি* ২৯
এখনি জীৱন্ত প্ৰতিমা ঃ *মৃদুলা দেৱী*
স্মৃতি ঃ *লক্ষ্যধৰ চৌধুৰী* ৩০
তুমি ঃ *মিতালী বৈশ্য*
মা তুমি অনন্যা ঃ *ৰূপালি দেৱী* ৩১
মৃত্যু ঃ *ৰমেন ৰাজবংশী*
মই তোমাৰ প্ৰেমত পৰিছো ঃ *মুনিন্দ্ৰ দাস* ৩২
তুমি কেনে আছা ঃ *তপন কুমাৰ শৰ্মা* ৩৩
কেৱল সপোনৰ বাবে ঃ *মমিতা নাথ*
সুখ-দুখ ঃ *নয়নমণি পাটোৱাৰী* ৩৪
এয়াই নেকি স্বাধীনতা ঃ *ইংকুমণি ডেকা*
মোৰ আশা ঃ *ৰাজেশ স্বৰ্গীয়াৰী* ৩৫
মুখা ঃ *মোজামিল হক*
জীৱাশ্ম ঃ *প্ৰণিতা ডেকা* ৩৬
EARLIER PHASE OF ECONOMIC PLANNING, *Yussuf Ahmed* ৩৭
INDIA IN BEIJING OLYMPIC, 2008 *Chandra Dhar Boro* ৩৮
SEEKING PEACE *Mantu Ram Baro*
A LITTLE STAR *Rekibuddin Ahmed*
आं मोजां मीनी /*Amal Ch. Baro*
अनजालि /*Balen Boro* ৪১
आस' खान्द्रा बे जिउआ /*Rojee Swargiary*
बैसागो नों फैवाय /Gitanjali Baro ৪২
उदांस्रि /*Sunil Daimary*
सोर जाखो नों? /*Kunja Baro* ৪৩
हांमा दा'था /*मुस्त्रि समनार कुमार बर*
अख्रा /*मिथुन दैमारी* ৪৪
सिख्रिरि /*Ranu Daimary*
खन्थाय: आं सासे बर' सिखला /*Gitanjali Baro*
কেইটামান জানিবলগীয়া দিৱস /*সংগ্ৰহ ঃ জুৰি নাথ*
কুইজ /*সংগ্ৰহ ঃ জুৰি নাথ* ৪৬
মহৎ লোকৰ বাণী /*ৰাণু দৈমাৰী* ৪৭
উপ-সভাপতিৰ প্ৰবিদেন ৪৮
সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ৫০
আলোচনী সম্পাদকৰ প্ৰতিবেদন ৫৩
খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৫৫
সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদম ৫৬
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদম ৫৭
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ৫৮
অষ্টাদশ বাৰ্ষিক পাতিদৰং মহাবিদ্যালয় প্ৰতিভা সপ্তাহৰ ফলাফল
পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰাক্তন সম্পাদক স
৬১

# আলোচনী

## অধ্যক্ষৰ কলম—

আধুনিক যান্ত্ৰিক সভ্যতা উন্নয়ণৰ সমান্তৰালভাৱে সাহিত্য আৰু সংস্কৃতিও একে খোজত মিলাবলৈ যত্নপৰ হৈছে। ফলস্বৰূপে বৌদ্ধিক জগতখনে এখন নতুনৰূপ আলোকিত কৰিছে। লগে লগে মানুহে আওঁপুৰণি চিন্তাচৰ্চা বাদ দি সকলো কথা বিজ্ঞানসন্মত আৰু যুক্তিপূৰ্ণ ভাবে ন্যা কৰিবলৈ ধৰিলে। বিশ্বায়নৰ উন্নয়নেও আজি মানৱ সমাজক একত্ৰিত কৰিব পৰা নাই। দায়িত্ব লব লাগিব নৱ প্ৰজন্মই। আধুনিক যুৱ সমাজ সুশিক্ষাৰে শিক্ষিত হৈ ভাৱোনমুখী সমাজক সুসংগঠিত কৰিব লাগিব। এনে চিন্তাধাৰা সাৰোগত কৰি ১৯৮৯ চনৰ ৩১ আগষ্টত জন্ম হৈছিল ৰং অঞ্চলৰ আশাৰ পদুম পাতিদৰং মহাবিদ্যালয়। এই চেগত এই মহানুষ্ঠানটিৰ সৈতে জন্মলগ্নৰ দ্যোপি যিসকলে ওতঃপ্ৰোত ভাবে জড়িত তেখেত সকললৈ মোৰ শ্ৰদ্ধাৰ্ঘ নিবেদিলো। পাতিদৰং দ্যালয় পাতিদৰং মৌজাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। এই অনুষ্ঠানটিলৈ এতিয়া চাৰিওঁদিশৰ াত্ৰ-ছাত্ৰীৰ সোঁত বৰলৈ ধৰিছে। ই- শিক্ষাদানৰ ক্ষেত্ৰত বৰ্তমান উল্লেখনীয় দিশ হৈ পৰিছে। দ্যালয়ৰ আৰ্থিক দিশ টনকীয়াল নোহোৱা স্বত্বেও প্ৰৱক্তা মণ্ডলী আৰু কৰ্মচাৰী বৃন্দই নিষ্ঠাৰে আগবঢ়াই আহিছে। এই ক্ষেত্ৰত তেখেত সকল মোৰ কৃতজ্ঞতাৰ পাত্ৰ। চাত্ৰ একতা সভাৰ সমূহ বীয়া আৰু ছাত্ৰ -ছাত্ৰী সকল অতি কৰ্তব্য পৰায়ণ আৰু দায়িত্বশীল। তেওঁলোক আটাইলৈ শুভাশীষ যাচিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কাৰণে মহাবিদ্যালয়ৰ সৈতে জড়িত আটাইৰে লক পৰামৰ্শ বিচাৰি অধ্যক্ষৰ কলমৰ ইতিৰেখা টানিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে—
শ্ৰীগিৰিধৰ শৰ্ম্মা
অধ্যক্ষ
পাতিদৰং মহাবিদ্যালয়
ইং ২০০৭-২০০৮ বৰ্ষ



# স ম্পা দ কী য়

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ সাফল্যই আজি গোটেই পৃথিৱীখনক গোলৰ (Global Village) ৰূপান্তৰিত কৰিছে। ইয়াৰ লগত অৰ্থনৈতিক উদাৰীকৰণকে ধ বিষয়ৰে গোলকীয়কৰনে পৃথিৱীবাসীক আজি বহু ওচৰ চপাই আনিছে। কিন্তু বৰ্তমান সমাজ প্ৰমূল্যবোধৰ অৱক্ষয়ে সমগ্ৰ বিশ্ববাসীক ত্ৰস্ত মান কৰিছে, যাৰ ফলত সৃষ্টি হৈছে গোষ্ঠী লুণ্ঠন আদি। অনৈক্যৰ মাজত ঐক্যৰ সেতুগঢ়া ভাৰত ভূমিটো সেই অতীত গৌৰৱ ন নাইকীয়া হব ধৰিছে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত সাহিত্য সংস্কৃতি চহকী হব নে নহয় চিন্তাশীল ব্যক্তিসকল সহমতত উপনিত হব পৰা নাই। সংশয় থাকিবই, কিন্তু বাস্তৱৰ মুখা সৃষ্টিশীল মনোভাবেৰে আগবাঢ়িব লাগিব নহলে সাহিত্য-সংস্কৃতিৰ উন্নতি তেনেই অসম্ভ

এটা জাতিৰ সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত হয় সেই জাতিৰ সাহিত্যত। জাতিক জীয়াই ৰাখিবলৈ সেই জাতিৰ সাহিত্য-সংস্কৃতি জীয়াই ৰাখিব লাগিব। বিজ্ঞানৰ বিশ্বক যেনেদৰে আগুৱাই নিছে তেনেদৰে সমাজ আৰু সংস্কৃতিৰ উন্নতিয়ে সাহিত্যকো আ পাৰিছে।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাতো এক সুস্থিৰতা নাই। স্বাধীনতাৰ সোনালী জয়ন্তীৰ পি ছাত্ৰ-ছত্ৰীয়ে আজি ন্যায্যপ্ৰাপ্যৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। উচ্চ শিক্ষালাভ কৰাৰ পিছ নাই। অসমৰ গাৱে-ভূঞে কাঠফুলাৰ দৰে গজি উঠা শিক্ষানুস্থান সমূহো ভৱিষ্যত প্ৰজন্মৰ বাবে হৈ পৰিছে। তাৰ বিপৰীতে শিক্ষাৰ কথা দোহাই দি শিক্ষা বিভাগৰ ধন আত্মসাৎ কৰা শিক্ষিত ব্যক্তিৰো যেন বৰ্তমান অভাৱ নাই। এক কথাত কবলৈ গলে বৰ্তমান সময় শিক্ষ এক সংকটময় অৱস্থা।

লুইতৰ উত্তৰপাৰৰ পাতিদৰং অঞ্চলত চিৰনমস্য, জ্ঞানী-গুনী ব্যক্তি সকলৰ অক্লা প্ৰতিষ্ঠিত "পাতিদৰং মহাবিদ্যালয়ৰ মুখপত্ৰ "পাতিদৰং মহাবিদ্যালয় আলোচনী"ত এই অঞ্চ দিশৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনোভাৱৰ প্ৰকাশ পায়। মহাবিদ্যালয়ৰ বিভিন্ন অসুবি সময়মতে ছাত্ৰ-ছাত্ৰী তথা পাঠক বৃন্দৰ হাতত তুলি দিয়াত কিছু পলম হোৱা বাবে ক্ষমা যিখন আলোচনী আপোনাসৱৰ হাতত তুলি দিবলৈ সক্ষম হলো সেইখন কিমানদূৰ গ্ৰহণ সেইটো আপোনালোকৰ বিবেচনাধীন। মাথো সজোৰে কব পাৰিম চেষ্টাৰ ত্ৰুটি কৰা না সময়তো যেন ইয়াৰ উত্তৰন হয় এয়া মোৰ গভীৰ আশা।

মুখপত্ৰ খনি প্ৰকাশ কৰি উলিওৱাত মোক প্ৰতিটো পদক্ষেপত সহায় কৰা মাননী অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মা, তত্বাবধায়ক শ্ৰীতপন শৰ্ম্মা, প্ৰৱক্তা শ্ৰীদুলাল শৰ্ম্মা, ছাৰ বাই ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ শৰাই যাচিলো। লগ ২০০৮ বৰ্ষৰ আলোচনীখন সম্পাদনা কৰাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত হৈ থাকিম।

সদৌ শেষত আলোচনীখন সম্পাদনা কৰাত অজানিতে হোৱা ভুলৰ ক্ষমা বিচা মহাবিদ্যালয়ৰ পৰা আগশাৰীৰ সুসাহিত্যিক সৃষ্টি হোৱাৰ কামনাৰে সম্পাদনা কক্ষৰ পৰা বিদা

"জয়তু পাতিদৰং মহাবিদ্যালয়"


জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"



শ্ৰীঅম্বিকা

সম্পাদক, পাতিদৰং মহাবিদ্যালয়


প্ৰবন্ধ আৰু
গল্প
বিতান

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন

*বৰ্ণালী পাটোৱাৰী*
প্ৰৱক্তা, দৰ্শন বিভাগ

"আজি বিষ্ণু ৰাভা আমাৰ মাজত নাই, কিন্তু তেওঁৰ ত্যাগ আৰু আদৰ্শ, সেয়া সদায় অসমৰ জনগণৰ বুকুত প্ৰতিবিম্বিত হৈ থাকিব। অসমীয়া সাহিত্য, সভ্যতা-সংস্কৃতি যিমান দিনলৈকে জীয়াই থাকিব সিমান দিনলৈকে বিষ্ণুৰাভাও আমাৰ মানসপটত বহুমূলীয়া ৰত্নৰ দৰে উজ্বলি থাকিব।"

ষ্ণুপ্ৰসাদ ৰাভা — এটি মাথো নাম নহয়, অসমাপ্ত সমাজ বিপ্লৱৰ চলমান ইতিহাস। সমাজ, সংস্কৃতি, ত্য, গীত, চলচিত্ৰ, ক্ৰীড়া সকলো বিষয়তে এক বিৰল প্ৰতিভাৰ অধিকাৰী এই মহান ব্যক্তিজন আছিল প্ৰকৃত বিপ্লৱী। তেওঁ একেধাৰে এগৰাকী কবি, নাট্যকাৰ, প্ৰবন্ধকাৰ, উপন্যাসিক, খনিকৰ, গীতিকাৰ, া, গল্পকাৰ, ৰাজনীতিবিদ আৰু সমাজ সংস্কাৰক। পৃথিৱীত এনে বহুমুখী প্ৰতিভাৰ ব্যক্তি সঁচাকৈয়ে

ীৱন ব্যাপি বিপ্লৱৰ আহ্বান জনোৱা জনতাৰ কবি বিষ্ণুপ্ৰসাদ ৰাভা আছিল অসান্ত, অঘৰী আৰু শিল্পী। এহাতে অসমীয়া সাহিত্য-সংস্কৃতিৰ একান্ত পুজাৰী আৰু আনহাতে উপনিবেশিক পুংজিবাদী ৰুদ্ধে যুঁজি থকা সংগ্ৰামী পুৰুষ। এই দুয়োটা কাম একেলগে কৰিবলৈ গৈ তিনিকুৰি বছৰীয়া জীৱনটো পাৰ কৰিলে ইয়ে বিষ্ণুৰাভাৰ জীৱনৰ আদৰ্শময় ব্যক্তিত্বৰ বৈশিষ্ট্য আৰু বৈচিত্ৰতা। এই ব্যক্তিত্বৰ কাই আছিল বিদ্ৰোহ, ভঙা আৰু গঢ়াৰ দুৰ্নিবাৰ সপোন আৰু অদম্য হবিয়াস। সমাজৰ প্ৰতিজন নাগৰিক তেওঁৰ বুকুৰ আপোন। অশান্ত মনটো ওৰে জীৱন হাবাথুৰি খাই ফুৰিছিল একেটা বস্তুৰ সন্ধানত— খন অসমীয়া সমাজ, এটা ব্যাপক অসমীয়া প্ৰাণৰ সন্ধানত। অসমীয়া সংস্কৃতিৰ দাৰক-বাহক সকলৰ মীয়া সভ্যতা আৰু সংস্কৃতি কিছু অংশ ধৰি ৰাখিবলৈকে বলিষ্ঠ সংকল্প প্ৰাণত লৈ তেওঁ জনতাৰ পিয়াই পৰিছিল।

নতাৰ শিল্পী বিষ্ণুৰাভাই ১৯০৯ চনৰ ৩১ জানুৱাৰীৰ দিনা ঢাকাত জন্ম গ্ৰহণ কৰিছিল। দেউতাক চন্দ্ৰ ই সময়ত ঢাকাত পুলিচ বিভাগত চাকৰি কৰি আছিল। সেইসূত্ৰে বিষ্ণুৰাভাই ঢাকাতে প্ৰাথমিক শিক্ষা আৰু পিছত তেজপুৰত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি ১৯২৬ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষা কলিকতালৈ যায়। কলিকতাৰ ছেন্ট পল কলেজৰ পৰা আই. এছ. চি. পাছ কৰে। তাৰ পৰা ৰংপুৰলৈ মহলাত পঢ়ে যদিও শিক্ষা সম্পূৰ্ণ নকৰাকৈ অসমলৈ ঘূৰি আহে। সেইসময়ৰ দেশৰ ৰাজনৈতিক বাবেই অত্যন্ত বুদ্ধিদীপ্ত আৰু মেধাগুণসম্পন্ন ৰাভাই নিজৰ জীৱনৰ ৰঙীন সপোন কিছুমান বিসৰ্জন

দি স্বাধীনতা আন্দোলনত জপিয়াই পৰে।

ভাৰতীয় জনসাধাৰণৰ ওপৰত উপনিবেশক বৃটিছ চৰকাৰৰ দমনমূলক অত্যাচাৰ- উৎপীড় আদিয়ে ৰাভাৰ মন ঘৃণা আৰু বিতৃষ্ণাৰে ভৰাই তুলিছিল। মাৰ্ক্সবাদ সমৰ্থনকাৰী ৰাভাই কমিউনিষ্ট প দি, কৰ্মীসকলৰ লগত অসমৰ বিভিন্ন ঠাইত সভা-সমিতি অনুষ্ঠিত কৰি এই পুঁজিবাদী চৰকাৰক নি অসমত শান্তি বিতাড়িত কৰিবলৈ চেষ্টা কৰিছিল। অৱশেষত এদিন ভাৰতে স্বাধীনতা পালে। ইংৰা সলনি নিজা চৰকাৰ হ'ল। কিন্তু সেই শাসন যন্ত্ৰটোৰ কাৰ্য্যৰ কোনো পৰিবৰ্তন নহ'ল।

বিষ্ণু ৰাভাই বিচাৰিছিল এখন শোষণমুক্ত সমাজ য'ত নাথাকিব পুঁজিপতি আৰু কৃষক দুখীয়াৰ কোনো প্ৰভেদ, প্ৰতিষ্ঠা হ'ব সাম্যবাদ। দুখীয়া, নিপীড়িত, নিৰ্য্যাতিত, পদদলিত নিম্ন হকে তেওঁ অশেষ চেষ্টা কৰিছিল। ফলত চৰকাৰৰ পৰা তেওঁক গেপ্তাৰৰ নিৰ্দেশ আহে আৰু তেওঁ কৰি থাকে। আত্মগোপনৰ কালছোৱাত ৰাভাই অসমৰ পৰ্বত-ভৈয়ামৰ হেজাৰ-হেজাৰ গাওঁ, নদী- অৰণ্য হাবি-বননি অতিক্ৰম কৰি বাৰ্মা, ভুটান আৰু নেপালত প্ৰৱেশ কৰে আৰু তাৰ পৰা আকৌ আহে। সেই সময়ত অসমত বিভিন্ন ঠাইত হোৱা বিপ্লৱীদলৰ সমাবেশবোৰত যোগ দি বিপ্লৱী সংগীত তেওঁ জনতাৰ বুকু কঁপাই তোলে—

"ধনী মহাজন-জমিদাৰ
হুচিয়াৰ হুছিয়াৰ
শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা বণুৱা
................................।"

"জাগ জাগ জাগ
মজদুৰ ন জোৱান
নিৰ্য্যাতিত নিপীড়িত
কৃষক শক্তিমান ।"

কান্দত বন্দুক লৈ দুখীয়া জনগণৰ হকে বিদ্ৰোহৰ দাবানল জ্বলাই তোলা ৰাভা অকল সে নহয়, তেওঁ আছিল এজন বিৰহ-বেদনাত ক্লান্ত সাৰ্থক প্ৰেমিক। ৰাভাৰ ব্যক্তিগত অনুভুতিমূলক মৰ্মস্পৰ্শী আৰু অৰ্থবহ। এই গীতবোৰত ৰাভাৰ মানসিক আৰু আত্মিক জগতখনৰ শিল্পীজন আত্মপ্ৰকাশ কৰিছে।

"লগন উকলি গ'ল
তেওঁ যে নহ'ল কোৱা
...............................
হৃদয়ৰ গোৱা গান
ভালপোৱা ভালপোৱা।"

প্ৰিয়তমাৰ বিৰহত সংবেদনসীল শিল্পীয়ে পৰলোকৰ কল্পনা কৰি সান্ত্বনা লভিবৰ চেষ্টা কৰে—

"পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পুৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।"

বিষ্ণু ৰাভাৰ বাকী কেইটা দিশতকৈ সাংস্কৃতিক দিশটোহে বেছি গুৰুত্বপূৰ্ণ বুলি ভবা যায়। তেওঁৰ ক ৰচনাসমূহে আমাৰ সন্মুখত অইন এজন ব্যক্তিৰহে পৰিচয় কৰাই দিব খোজে। সংগীত, নৃত্য, ম্পৰ্কীয় নিবন্ধকেইটাৰ লগতে "অসমীয়া কৃষ্টি", "মৰং" আৰু "মোৱামৰীয়া" বিদ্ৰোহ সম্পৰ্কে বন্ধ কেইটাই আৰু এইকেইটাৰ সফলতাই সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে, সাংস্কৃতিক ৱই তেওঁৰ প্ৰধান দিশ।

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যান খৰমান।
আজি মোৰ হ'ল জীৱন নাটৰ
ভাওঁনাৰ অৱসান।"

অতি মৰ্মস্পৰ্শী এই গীতেৰে অসমবাসীৰ মনত যুগান্তৰলৈ সাঁচ থৈ যোৱা মুক্তি দেউলৰ পূজাৰী, অমোঘ শিল্পী বিষ্ণুৰাভাৰ জীৱন নাটৰ অৱসান ঘটিল। ১৯৬৯ চনৰ ২০ জুনৰ দিনা পত্নী মোহিনী ৰু তিনিটি কুমলীয়া শিশুক এৰি তেওঁ অচিন দেশলৈ গুচি যায়।

আজি বিষ্ণুৰাভা আমাৰ মাজত নাই, কিন্তু তেওঁৰ ত্যাগ আৰু আদৰ্শ সেয়া সদায় অসমৰ জনগণৰ তিবিম্বিত হৈ থাকিব। অসমীয়া সাহিত্য, সভ্যতা, সংস্কৃতি যিমান দিনলৈকে জীয়াই থাকিব সিমান ক বিষ্ণুৰাভাও ামাৰ মানসপটত বহুমূলীয়া ৰত্নৰ দৰে উজ্বলি থাকিব।

শেষত,

বিষ্ণু ৰাভা ! আকৌ আহিবা
তোমাৰ কলিজাৰ জেতেৰে
গীত ৰচি জগাই তুলিবা
সমগ্ৰ অসমভূমিত
ন-বিপ্লৱৰ সূচনা।

*বিঃদ্ৰঃ এই প্ৰৱন্ধটি কেইবাখনো অসমীয়া অলোচনীৰ সহায় লৈ লিখা হৈছে।*

# অসমীয়া গ্ৰাম্য জীৱনত লোক সাহিত্য

সংগী
প্ৰৱক্তা, অসমীয়া

সাহিত্য হ'ল সমাজৰ দাপোন। এই দাপোনৰ মাজেৰেই প্ৰতিফলিত হয় একো-একোখন পূৰ্ণাংগ প্ৰতিচ্ছবি। সেইদৰে লোক সাহিত্য হ'ল সমাজৰ সৰ্বজন সমাদৃত অনাক্ষৰী গাঁৱলীয়া হো প্ৰাণৰ লোক সকলৰ আৱেগ অনুভূতি, চিন্তা-ভাৱনা আৰু কল্পনাৰ অপূৰ্ব মিলন ক্ষেত্ৰ। কিয়নো এই মাজেৰেই গ্ৰাম্য সমাজত প্ৰচলিত উৎসৱ অনুষ্ঠান আদিৰ ছবি প্ৰতিফলিত হোৱা দেখিবলৈ পো এইবিধ সাহিত্যত কবিৰ ব্যক্তিগত উদ্দাম গতি নাই। ইয়াৰোপৰি বিষয় নিৰ্বাচনৰ ক্ষেত্ৰতো মন কৰি পূৰ্ব অভিজ্ঞতাৰ ভিত্তিত এই সাহিত্যৰ বিষয় বৰ্ণনা কৰা হয়। গ্ৰাম্য জীৱনৰ আবেগ-অনুভূতি লোক সাঙুৰি লয়। এই সাহিত্য ব্যক্তি বিশেষৰ একক সৃষ্টি নহয়, ই সমাজৰ সামগ্ৰিক সৃষ্টি, জন জীৱনৰ অভি জ্ঞানৰ ভঁৰাল।

বৈশিষ্ট্যপূৰ্ণ বিষয়, সৌষ্ঠৱ পূৰ্ণ প্ৰকাশভংগীৰে মানুহৰ মুখ বাগৰি চলি অহা লোক সাহিত্য সামাজিক গ্ৰাম্য জীৱনৰ সামগ্ৰিক চিত্ৰ ভিন্ন ৰূপত পৰিস্ফুত হোৱা দেখা যায় আৰু ই সময়ভেদে প্ৰ গীত-মাত, ফঁকৰা-যোজনা পটন্তৰ আৰু কেতিয়াবা সাধুকথা, সাঁথৰ, আখ্যান আদি বৰ্ণনাৰ মাজেৰে

অসমীয়া লোক সাহিত্য বুলি কলে মূলত জনজীৱনৰ লগত সম্পৰ্ক যুক্ত লোকগীত, যোজনা-পটন্তৰ আৰু সাধুকথা স্থান দিব পাৰি। লোকসাহিত্যৰ এই শাখা সমূহৰ ভিতৰত লোকগী সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। এই গীতৰ মাজতে নিহিতহৈ আছে গ্ৰাম্য সমাজৰ সহ লোক সকলৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-প্ৰণয়, সামাজিক আচাৰ-নীতি আদিৰ ছবি। চহা জীৱন প্ৰকাশ ঘটা এই গীতত থলুৱা কথ্য ভাষাৰ প্ৰয়োগ স্বকীয় ৰহন চৰাইছে। তলত এনে এটি লোগীত দিয়া হ'ল—

"ঘৰতো নবহে মন সমনীয়া, পথাৰত নবহে মন।

কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিব মন।।"

ফঁকৰা-যোজনা আৰু পটন্তৰে অসমীয়া লোক সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে। ইয়াৰ ৰচক নাই, ই মানুহৰ মুখ বাগৰা কথাহে। 'দহৰ জ্ঞান, একৰ বাণী'— ইয়াৰ মূল। ফঁকৰাৰ মাজেৰে কে ৰসিকতা প্ৰকাশ কৰিবলৈ যাওঁতে শালীলতাৰ সীমা চেৰাই যোৱা যেন বোধ হয়। তলত মানুহৰ মু

ই এটি ফঁকৰা তুলি দিয়া হ'ল—

(ক) হবো ছলি বুলবো বাপ। তেহে গুচ্‌পু মনোত্তাপ।"

(খ) আঁহ লুকেবি বহ লুকেবি/গাল সোৰপোতা ক'ত লুকেবি।"

আমাৰ সমাজত প্ৰচলিত ডাকৰ বচন সমূহ লোক সাহিত্যৰ অমূল্য সম্পদ। ই লোক সমাজৰ জ্ঞানৰ বেদ স্বৰূপ। সেইদৰে সাধুকথাও লোক সাহিত্যৰ অমূল্য সম্পদ। ইয়াৰ নিৰ্দিষ্ট ৰূপ নাই। া বাগৰি কাহিনীয়ে ভিন্ন সময়ত ভিন্ন ৰূপত প্ৰকাশ পায়। সাধুকথা কল্পনাৰ ভিত্তিত গঢ় লৈ উঠা ানুহৰ লগত মানুহৰ সম্পৰ্ক জড়িত কৰি সৃষ্টি হোৱা তেজীমলা, তুলা-তেজা আদি সাধুকথাৰ াদৰ সুৰ ফুটি উঠা দেখা যায়। জহৰ দিনত ফৰিং ফুটা জোনাকত চোতালত ঢাৰি-পাটি পাৰি শুই- নাতিনীয়ে ককা-আইতাৰ মুখৰ পৰা বান্দৰ-শিয়াল, ৰজা-ৰাণী, ভূত, জোন-বেলি আদিক চৰিত্ৰ । মনোমোহাকৈ কোৱা সাধুবোৰ শুনি অনাবিল সুখ অনুভৱ কৰে। সল্পনা প্ৰৱণ শিশু মনক সাধুকথাৰ াস্তৱ জগতৰ পৰা কল্পনাৰ ৰাজ্যলৈ লৈ যাব পাৰি। কল্পনাৰ বোলেৰে ৰঞ্জিত এই সাধুকথাবোৰ াজৰ অমূল্য সম্পদ ৰূপে চিহ্নিত হৈ আহিছে।

লোক সাহিত্যৰ প্ৰধান অংগ হ'ল লোকগীত।

এই লোকগীতক (ক) অনুষ্ঠানমূলক লোকগীত

(খ) আখ্যানমূলক লোকগীত

আৰু (গ) বিবিধ বিষয়ক লোকগীত — এই তিনিটা প্ৰধান ভাগত ভগাব পাৰি।

ওপৰোক্ত গীত সমূহে অসমীয়া গ্ৰাম্য জীৱনত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে চমু আলোচনা হ'ল-

<u>(ক) অনুষ্ঠানমূলক লোকগীত ঃ</u> এই শ্ৰেণীৰ লোকগীতৰ ভিতৰত বিহুগীত, বিয়াগীত, আইনাম, ভকুলী বিয়া, অপেচৰী সবাহৰ গীত, লখিমী সবাহৰ গীত আদি উল্লেখনীয়। বিহু অসমীয়া জন ধুসৰেখা সদৃশ জনপ্ৰিয় উৎসৱ। নতুনক আদৰণি জনোৱাৰ উদ্দেশ্যে পালন কৰা এই উৎসৱ কৃষি া জড়িত। বিহুৰ লগত সংগতি ৰাখি বিহুগীত গোৱা পৰম্পৰা আমাৰ সমাজত বৰ্তমান বৰ্তি আছে। গত সংগতি ৰাখি গৃহস্থৰ কুশল কামনাৰে "হুচৰিগীত" গোৱা আমাৰ সমাজৰ পৰম্পৰা. তলত ৰ ফাঁকি এটি তুলি দিয়া হ'ল—

'এটা বাতিত নহৰু, এটা বাতিত পনৰু, এটা বাতিত সুতুৰা শাক।

মুৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছো গৃহস্থ কুঁশলে থাক।।"

এই বিহুৰ বতৰতে উদং পথাৰৰ বুকুত ডেকা-গাভৰুৱে যৌৱনৰ নাচ নাচে, সৃষ্টিৰ অং এই কাৰণে বিহুগীতৰ প্ৰধান সুৰ হ'ল- প্ৰণয়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংখা, বিৰ প্ৰেমৰ আকুতি আৰু কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক প্ৰকাশেই বিহুগীত। পূৰ্বৰ বিহুত প আহতৰ তলত মুকলি পথাৰত। কিন্তু বৰ্তমানৰ বিহুয়ে ৰংগমঞ্চত ঠাই অধিকাৰ কৰিলেও ই পূৰ্বৰ ধ পৰা সম্পূৰ্ণ ৰূপে আঁতৰি অহা নাই। প্ৰকৃতিৰ লগত মানুহৰ যি সম্পৰ্ক তাৰ ছবি বিহুগীতত প্ৰতিফ দেখা যায়—

"চতে গৈ গৈ বহাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
বহাগৰ বিহুৰে কথা।"

কৃষি কৰ্মৰ লগত বিহুৰ যি সম্পৰ্ক তাৰ প্ৰতিধ্বনি বিহুগীতত শুনা যায়-

"দকৈ পথাৰত ধান দাই আছিলো ঘিলা চকলিয়া মুঠি
সকলোকে দেখো নাহৰক নেদেখা ঢাপৰে ওপৰত উঠি।"

ৰক্ষণশীল সমাজৰ ভেদ-ভাৱ আঁতৰাই মিলনৰ সেংতু ৰচনা কৰা প্ৰেমিকে প্ৰেমিকাক

"তোৰো মনে গলে মোৰো মনে গলে
কি কৰিব কলিতা কুলে।"

অনুষ্ঠানমূলক লোকগীতৰ অন্তৰ্গত আমাৰ সমাজ জীৱনৰ লগত ওতঃ প্ৰোতঃ ভাৱে এক উল্লেখযোগ্য লোকগীত হ'ল বিয়াগীত। বিয়া হ'ল জনজীৱনৰ লগত সম্পৰ্কিত আনন্দ উৎসৱ লগত সংগতি ৰাখি অসমীয়া বিয়া এখনত আঙুঠি পিন্ধোৱাৰ পৰা আৰম্ভ কৰি বিয়াৰ প্ৰতিটো স্তৰতে ৰজিতা খোৱাকৈ আয়তীয়ে বিয়াগীত গায়। এই গীতৰ মাজেৰে নাৰী মনৰ সুখ আকাংখাৰ ছবি ফুটি উঠা দেখা যায়। পানীতোলা, বৰ-কন্যা হোমৰ গুৰিত বহা, দৰা আদৰা, কান দিয়া আদি বিভিন্ন স্তৰত এইগীত গোৱা হয়।

পানী তোলোতে আমাৰ নামতীয়ে গায়—

"ৰাম কৃষ্ণ পানী তুলিবলৈ
ৰাম কৃষ্ণ দৈৱকী আহিছে
হৰি মোৰ ঐ কাষতে কলচী লৈ।"

সেইদৰে দৰা-কইনাক গা ধুৱাওতে গোৱা হয়—

'কলহ বাল্টি হাতে লৈ, গা ধুইছিলা অকলই।

আজি কিয় বৈ আছা, বৌৱে ধুৱাই দিবলৈ।।"

বিয়া এখনৰ বিভিন্ন প্ৰসংগত গোৱা এই গীত সমূহৰ উপৰিও "যোৰা নামে" আমাৰ সমাজৰ এখন ন দখল কৰিছে। এই গীতৰ জৰিয়তে কইনা পক্ষৰ নামতীয়ে দৰা পক্ষক আৰু দৰাপক্ষৰ নামতীয়ে জোকাই নিৰ্দোষ ধেমালী কৰে। কইনা পক্ষই দৰা পক্ষক জোকাই গায়—

"দোকানৰে জালুক,

দোকানৰে জালুক

দৰাঘৰীয়া ল'ৰা কেটা

বাঁহৰ তলৰ ভালুক।"

সেইদৰে দৰাপক্ষই কইনা পক্ষক জোকাই গায়—

"ৰাস্তা নহয় ধুলিৰ বাট,

ৰাস্তা নহয় ধুলিৰ বাট

কইনাঘৰৰ ছোৱালী কেটাৰ

মুখ নহয় কচুপাত।"

আমাৰ সমাজত বিশিষ্ট আসন দখল কৰি অহা অন্য এক শ্ৰেণীৰ অনুষ্ঠানমূলক লোকগীত হ'ল কাৰোবাৰ ঘৰত আই বা বসন্ত ৰোগ হলে ঘৰৰ মূল মানুহ গৰাকীয়ে গা-মুৰ তিয়াই আহি বগা ফুল, ধুনা নৈবেদ্যৰে থাপনা পাতি এই ৰোগৰ অধিষ্ঠাত্ৰী দেৱী বুলি বিশ্বাস কৰা সাতগৰাকী আই বা -ভনীক সন্তুষ্ট কৰাৰ মানসেৰে আইনাম গোৱা হয়—

"উজাই আহিলে আইৰ সাতে ভনী সাতালি পৰ্বেত জুৰি,

তৰু-তৃণ-লতা সবে দোঁৱাই মাথা আই আহিবৰে শুনি।।

সোণৰে চকৰি উৰে জাকি মাৰি, ৰূপৰে দুখনি পাখি।

চহৰ ফুৰিবলৈ আইলোক আহিছে জীৱদান মাগিছোঁ আমি।।

নাজানি সোঁমালো আইৰ ফুলেবাৰী, নিচিনি চিঙিলো কলি।

ইবাৰৰ দোষকে ক্ষমিবা গোসানী, মাতো চৰনত ধৰি।।"

আইনাম, অপেচৰী সবাহৰ গীত, লখিমী সবাহৰ গীত এই গীতবোৰৰ মাজেৰে অ প্ৰগাঢ় ভক্তিৰ ছবি ফুটি উঠা দেখা যায়।

অসমীয়া লোক বিশ্বাসৰ লগত ভেকুলী বিয়া ওতঃপ্ৰোতঃ ভাবে জড়িত। খৰাং ব দিবৰ বাবে খেতিয়ক ৰাইজে নিৰ্দোষ ধেমালীৰে ভেকুলী বিয়া পাতে। গতিকে বিহুগীত, আইনা সমাজৰ আদৰৰ সম্পদ। কিয়নো ইয়াৰ মাজেৰে প্ৰতিফলিত হয় একো একোখন সমাজৰ প্ৰ প্ৰচলিত ৰীতি-নীতি, বিশ্বাস কুসংস্কাৰ আদিৰ ছবি।

<u>(খ) আখ্যানমূলক লোকগীত ঃ</u> এই শ্ৰেণীৰ লোকগীতৰ মাজেৰে লোক জীৱ হোৱা সঁচা জীৱনৰ সুখ-দুখ, আবেগ-অনুভূতি, প্ৰেম-প্ৰণয়, বিৰহ-মিলন আদিৰ ছবি ফুটি উঠা দেখ সমাজৰ ছবি প্ৰতিফলিত হোৱা এই গীতত যুদ্ধ-বিগ্ৰহৰ বৰ্ণনাও পোৱা যায়। এই গীতক 'বেলাড পাৰি। এই বেলাড বোৰ কৰুণ ৰসসিক্ত. এই শ্ৰেণীৰ গীতক বুৰঞ্জীমূলক, কিম্বদন্তী মূলক আৰু তিনিটা ভাগত ভগাব পাৰি। বুৰঞ্জীমূলক গীতৰ ভিতৰত বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গী কুঁৱৰীৰ গীত আদি উল্লেখযোগ্য। তলত বদন বৰফুকনৰ গীত এটি তুলি দিয়া হ'ল—

"কিয়নো আনিলি মানে ঐ বদন তই
কিয়নো আনিলি মান,
যাউতী যুগলৈ খিয়াতি ৰাখিলি
কটালি অসমৰ কান।"

আকৌ, ফুলকোঁৱৰ, মণি কোঁৱৰ, কমলা কুঁৱৰীৰ গীত আদিক কিম্বদন্তী মূলক গীত পাৰি. এই গীতত অলৌকিকতাৰ প্ৰভাৱ দেখা যায়।

"পোৱালী হাতীৰে শুৰ,
বুঢ়ীমাকৰ শুৰিতে বহি ফুলকোঁৱৰে, তললৈ কৰিলে মুৰ।"

কন্যাবাৰমাহী, দুবলা শান্তিৰ গীত, লীলাৱতীৰ গীত আদি কাল্পনিক গীতৰ অন্তৰ্গত মাজেৰে কৰুণ সুৰ ফুটি উঠা দেখা যায়। বাৰমাহী গীতৰ মাজেৰে প্ৰেম বিহ্বলা নায়িকাই প্ৰবাসী অনুভৱ কৰাৰ বৰ্ণনা পোৱা যায়। এই গীতৰ মাজেৰে বছৰৰ বাৰটা মাহৰ প্ৰকৃতিৰ বৰ্ণনাৰ চিত্ৰ নাৰীৰ অন্তৰৰ কৰুণ বিননি ফুটি উঠে। যেনে—

"বৈহাগৰ মাহতে ডাউকী কান্দয়।

ডাউকীৰ কান্দন শুনি হৃদয় নসহয়।।

বৈহাগৰ মাহত কুলিয়ে কৰে ৰাৱ।

কুলিৰ কান্দন শুনি নুজুৰায় গাৱ।।"

এই আখ্যানমূলক গীত সমূহ অঞ্চল বিশেষে আজিও মানুহৰ মুখে-মুখে কৰুণ সুৰত বাজি আছে।

<u>**(গ) বিবিধ বিষয়ক গীত ঃ**</u> অসমীয়া লোক সাহিত্যৰ অন্য এক বিভাজন হ'ল বিবিধ বিষয়ক নিচুকনি গীত, মহখেদা গীত, গৰখীয়া গীত, বৰশাবোৱা গীত, নাওঁ খেলৰ গীত, প্ৰনয় আসক্তিমূলক াদি এই শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত। এই গীতবোৰ বিশেষকৈ অসমীয়া কৰ্মৰ লগত জড়িত। আমাৰ ত ল'ৰা-ছোৱালীক নিচুকাই টোপনি নিয়াবলৈ মাক বা ধাইমাকে নিচুকনি গীত গায়। মিঠা কোমল ই গীতৰ যোগেদি শিশুক অন্য এখন জগতলৈ লৈ যোৱা হয়, যিখন জগত সিহঁতৰ বাবে স্বপ্নৰ জগত। বাবে অসংলগ্ন বুলি একো নাই। জোন, বেলি, তৰা, খঁৰা শিয়াল, বান্দৰে সিহঁতৰ লগত কথা পাতে, য়ালৰ বিয়াত ঘৰচিৰিকাই তামোল কাটে। কল্পনা প্ৰৱন শিশুক নিচুকাবলৈ মাকে গায় ঃ

"আমাৰে মইনা শুৱ এ'

বাৰীতে বগৰী ৰুব এ'

বাৰীৰে বগৰী পকি সৰি যাব

মইনাই বুটলি খাব।"

বিবিধ বিষয়ক গীতৰ অন্তৰ্গত মহখেদা গীত আমাৰ সমাজৰ আদৰণীয় সম্পদ। অঘোনী পূৰ্ণিমাৰ াঁৱৰ ডেকাবোৰে একগোট হৈ হাতত বাঁহৰ টাঙোন লৈ মানুহৰ ঘৰে ঘৰে গৈ চোতালত বাঁহ এডাল িই বাঁহ ডালত অইন ডেকাবোৰে কোবাই কোবাই মহাহো গীত গায়। মহখেদিবৰ বাবে এই গীত গোৱা ী আজিও গ্ৰাম্য সমাজত বিশ্বাস প্ৰচলন আছে। তলত মহহো গীত এফাঁকি তুলি দিয়া হ'ল—

"আঘোন মাহৰ পুন্নি হ'ল,

মহহো খেদৱাৰ হুকুম হ'ল।

মহগেল মামাথেক

হিদেলী গাছোত গা ঘুহুওঁতে।

হিদেলী পাইপোত

তেপোৰ পোৱা খাই পোত।

.....................................

.....................................

সেহতোৰ ঘৰোত তুহুৰ ধোহা

চলি কান্দে ওহা ওহা........।" ইত্যাদি

অসমীয়া লোক সাহিত্য হ'ল অসমৰ প্ৰকৃতিৰ বন্দনাৰ গীত। ই হ'ল লোক জীৱনৰ সংৰক্ষক, সংস্কাৰক তথা সমাজৰ সৰ্ব্বাংগীন উন্নতিৰ পথ প্ৰদৰ্শক। এই গীতবোৰ সংৰক্ষণ কৰাটো অসমীয়াৰে কৰ্তব্য। তেতিয়াহে সংস্কৃতিৰ উন্নতিৰ সোপানত লোকগীতৰ স্থান অপৰিৱৰ্তিত হৈ থাকিব। লোকগীতৰ মাজত কৃত্ৰিমতা বিৰাজ কৰিলে সত্য লুকাব, অসমীয়া জাতিয়ে প্ৰগতিৰ পথত উজ্জ্ব লোকগীত অসমীয়া গ্ৰাম্য জীৱনৰ সভ্যতাৰ প্ৰগতিত সময়ৰ সাক্ষী ৰূপে ৰওঁক, সংস্কৃতিৰ ঘাই খুঁটা হৈ

*যি শিক্ষাই নিজকে আনৰ হাতত বিক্ৰি কৰিবলৈ শিকাই তেনে শিক্ষিত হোৱাতকৈ জধামূৰ্খ হোৱাই*

—হে



# যুৱ মানসিকতাৰ প্ৰসংগত

*নিজামুদ্দিন আহমেদ*
প্ৰৱক্তা, আৰবী বিভাগ

চৌদিশৰ পৰা আমাৰ সামাজিক জীৱন দুঃসহ হৈ আহিছে, আজি আমাৰ মাজত আদৰ্শ, নৈতিকতাবোধ াততাৰ তিল তিলকৈ অপমৃত্যু ঘটিছে। আমি কৈ আছো যে ইয়াৰ চূড়ান্ত বহিঃ প্ৰকাশ ঘটিছে, সাম্প্ৰতিক নসিকতাত সস্তীয়া ভাবাবেগ, চিন্তাৰে পৰিপুষ্ট এই যুৱ চাম আজি যেন সমাজৰ বাবে আবৰ্জনা হৈ ৈ। আমি আটায়ে বোধগম্য যে এই যুৱচামক যুৱমানসিকতাৰ অধঃপতনৰ অভিশাপ দি তেওঁলোকৰ ত ধ্বংসাত্মক দিশ তথা আমাৰ সমাজত ইয়াৰ ধংসমূলক প্ৰভাৱৰ কথা জানিও যদি নিজকে ৰক্ষণশীল াৱ লৈ থাকো তেন্তে যুৱচামৰ অধঃপতনৰ ধাৰাবাহিকতা নকমে বৰং ই আৰু অধিক জটিল ৰূপ ধাৰণ আৰু এনে এটা সময় আহিব যে আমি আমাৰ অৱহেলিত মনোভাৱৰ বাবে আমাৰ চকুৰ আগতে স্তু চাই থাকিব লাগিব। যিয়ে আমাক সকলোকে এন্ধাৰ ৰাতিৰ দৰে গ্ৰাসিত কৰি পেলাব। গতিকে আমি ৰ এই বিপদগামী যুৱচামক মূল সুতিলৈ ঘুৰাই আনিবই লাগিব আৰু ইয়াৰ বাবে আমি আটায়ে মাৰ বান্ধি বিৰুদ্ধে প্ৰত্যাহ্বান স্বৰূপে থিয় দিব লাগিব।

কিন্তু থিয় দিয়াৰ নৈতিক সাহস জানো আমি অগ্ৰজসকলে গোটাব পাৰিছো ? আমি আমাৰ কৰ্মজীৱনৰ ত জানো সততাৰে নিয়োজিত হব পাৰিছো ? য'ৰ পৰা আমাৰ নৈতিক সাহসৰ জন্ম হ'লহেতেন। আমাৰ ৰ অধিকাংশ লোকেই জীৱিকা নিৰ্ব্বাহৰ ক্ষেত্ৰত দুৰ্নীতি, স্বজনতোষন আৰু স্বাৰ্থপৰতাত লিপ্ত হৈ পৰিছে, লত তেওঁলোকে সমাজ ব্যৱস্থাৰ কলা দাগ সানিছে তথা সমাজৰ গাঠনিত অৰিহণা যোগোৰাৰ পৰিবৰ্ত্তে হ কৰিছে, গতিকে সমাজৰ এই পাপী লোকসকলে বিপথে গতি কৰা যুৱচামক সংশোধন কৰাৰ ক্ষেত্ৰত ক ভাৱে প্ৰস্তুত থাকিব পাৰিবনে ?

সাম্প্ৰতিক আৰ্থ-সামাজিক ব্যৱস্থাৰ ক্ষেত্ৰত চাবলৈ গলে যুৱমানসিকতাক বিচ্ছিন্ন ভাৱে সমালোচনা নোৱাৰি। কাৰণ তেওঁলোকো সমাজ ব্যৱস্থাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। কলে বাহুল্য কোৱা নহব কল যুৱমানসিকতাৰে বিশৃংখল ঘটা নাই তাৰ লগে লগে জ্যেষ্ঠ মানসিকতাৰও অৱনতি ঘটিছে। মাত্ৰ ক্ষেত্ৰতে প্ৰকাশৰ মাধ্যম বেলেগ বেলেগ। জ্যেষ্ঠ সকলে জানে কেনেদৰে লুকুৱাই ৰাখিব লাগে মনৰ আন্ধাৰ জগতখন। সন্দেহ নাই যে আসোঁৱাহ পূৰ্ণ আৰ্থ-সামাজিক ব্যৱস্থাই আমাৰ জীৱনলৈ আনি দিছে ন অভাৱ, নৈতিক স্খলন। কিন্তু আমি সামগ্ৰিক সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ বাবে প্ৰস্তুত নহৈ হৈছো ক। ধৰ্মীয় গোড়ামিৰ চাৰিবেৰৰ মাজলৈ গৈ শান্তি বিচাৰিছো। আমি সকলোৰে গা এৰা মনোভাব পোষণ াতানুগতিক ভাবে চলি যাব বিচাৰিছো।

এই ক্ষেত্রত সমাজৰ শিক্ষিত বুলি ফিতাহি মৰা মানুহ চামেই আটাইতকৈ বেছি জগৰীয়া
কিয়নো শিক্ষিত সকলৰ ঠেকুহীন জীৱন দৰ্শন, ৰুগ্ন দৃষ্টিভংগীৰ প্ৰভাৱ সমাজৰ সৰ্বাধিক অশিক্ষিত-অ
মানুহ চামৰ ওপৰত পৰিছে।

সদৌ শেষত কব পাৰি যে কলুষিত হোৱা আমাৰ সমাজখনক নিকা কৰিবলৈ হলে আমাক
সুস্থ চিন্তাধাৰাৰ দৰকাৰ যি চিন্তাধাৰাৰে অনুপ্ৰাণিত হৈ আমি দৃঢ়ভাবে আগবাঢ়ি যাব পাৰো আৰু আমাৰ
সুপথে পৰিচালিত কৰিব পাৰো অন্যথা যুৱমানসিকতৰ উন্নতিটো নঘটেই সুস্থ মানসিকতাৰ উন্ন
লক্ষ্যও সুদূৰ গৰাহত।

কালিৰ কথাত শোক কৰি থাকিলে আজিও হেৰাব, সেই কাৰণে বৰ্ত্তমানৰ সদ ব্যৱহাৰ কৰ

— লক্ষ্মীনাথ



# পুথি ভঁৰালৰ প্ৰাসংগিকতা

ভদ্রেশ্বৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ

া সমাজ সভ্যতাৰ দুৱাৰ মুকলি কৰা চাবি-কাঠি পাত হৈছে মানুহৰ শিক্ষা। এই শিক্ষাৰ চাবি-কাঠি ই পৰাই গঢ় দি লৈছে এই মানৱ সমাজে অধ্যয়ণৰ জৰিয়তে। যিয়ে কেৱল মাথো নতুনৰ আভা পায়। অতীতৰ শিক্ষা অধ্যয়নে যি সংৰক্ষিত ৰূপ পাইছে সেয়াই হল পুথি বা কিতাপ। সেয়েহে কিতাপ জ্ঞানৰ ভঁৰাল। যত এই কিতাপ পত্ৰ সমূহ সংৰক্ষণ কৰি ৰখা হয় তাক কোৱা হয় পুথিভঁৰাল।

তিভঁৰাল হ'ল জ্ঞানৰ ভাণ্ডাৰ। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জ্ঞান আহৰণত সহায় কৰিব পৰা মূহৰ ভিতৰত পুথিভঁৰালকে শিক্ষাৰ নিৰ্ভৰযোগ্য অনুষ্ঠান বুলি গণ্য কৰা হয়। কাৰণ সভ্য মানৱ থিভঁৰাল এক প্ৰয়োজনীয় অংগ। পৃথিৱীৰ নানা পণ্ডিত সকলৰ জ্ঞান গৰ্ভ লিখনিৰে পৰিপুষ্ট কিতাপ হৈ থাকে। যাৰ ফলত ৰাজহুৱা পুথিভঁৰালে সৰ্বাংগীন উন্নতিত যথেষ্ট সহায় কৰি আহিছে। অসমত কেইটা পুথিভঁৰাল আছে পঢ়ুৱৈৰ চাহিদা অনুযায়ী ই তেনেই নগন্য। বৰ্তমান অসমত চৰকাৰী ভাৱে লা পুথিভঁৰাল, ১৪ টা মহকুমা পুথিভঁৰাল, ৩ টা শাখা পুথিভঁৰাল, এটি শিশু পুথিভঁৰাল, আৰু ২০২ থিভঁৰাল আছে। কিন্তু ইয়াৰ ভিতৰত কলিকতা আৰু মুম্বাইৰ চেনেল লাইব্ৰেৰী সকলোতকৈ বিখ্যাত। ৰিও বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিকে ধৰি গাওঁ চহৰবোৰতো দুই এটি পুথিভঁৰালে াজৰ মাজত প্ৰাণ পাই উঠিছে।

ৰ্তমান সমাজত এই পুথিভঁৰাল সমূহৰ যি মহৎ বৰঙণি সেয়া সঁচাই লেখত লৱলগীয়া। কাৰণ সমাজত হোৱা সাঁচি পাতৰ পুথি সমূহকে ধৰি বিভিন্ন মহৎ গ্ৰন্থ সমূহো সংৰক্ষিত হৈ আছে। মাথো পুথিভঁৰাল য়াৰ উপৰিও আন এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে পুথিভঁৰাল সমূহে। কিয়নো সমাজৰ অভাৱণীয় ৰ পঢ়ুৱৈ সকলে কিতাপ কিনিবলৈ টকা-পইচাৰ অভাৱ সেই অভাৱ দূৰ কৰাৰ গুৰুত্বপূৰ্ণ দিশটোৱে ভঁৰাল। দেশৰ প্ৰায়বোৰ পুথিভঁৰালতে কিতাপ পত্ৰ পঢ়াৰ এক মনোৰম পৰিবেশ গঢ় লৈ উঠা পৰিলক্ষিত খা যায়। যি দুই এটি পুথিভঁৰালত অধ্যয়নৰ সু-ব্যৱস্থা কৰিব পৰা নাই তাতো পঢ়ুৱৈ সমাজৰ আগ্ৰহ দেখিলে চৰকাৰী তথা বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহেও সুকীয়া দান বৰঙণি আগবঢ়াই পুথিভঁৰাল াৱ দূৰ কৰিব বুলি আশা কৰিব পাৰি। কাৰণ এই পুথিভঁৰাল সমূহৰ যোগেদি অদূৰ ভৱিষ্যতে আমাৰ উন্নতিৰ গতিত এখোপ আগুৱাই নিয়াত সহায় কৰিব।

িন্তু অতিকৈ দুখৰ বিষয় দেশখনত সৰুবৰ অসংখ্য পুথিভঁৰাল থকা সত্বেও গ্ৰন্থ অধ্যয়ন কৰিবলৈ ঠকৰ সংখ্যা বৃদ্ধি পোৱা নাই, বৰং হ্ৰাস পোৱাহে পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হয়তো প্ৰধানত দুটা — এটা হ'ল সুন্দৰ পৰিবেশ, আনটো হ'ল নতুন গ্ৰন্থ বিচাৰিলেও পাঠকে সহজে নাপায়। তথাপি পুৰণি যিমান খিনি গ্ৰন্থ সংৰক্ষিত হৈ আছে সেইখিনিকে অধ্যয়ন কৰাটো আমাৰ বাবুকৈয়ে প্ৰয়োজনীয় িয়া যি কি নহওঁক এইটো ঠিক যে পুথিভঁৰাল সমূহক বাদ দি এখন শিক্ষিত সভ্য সমাজ গঢ় দিয়াটো

# প্ৰতাৰণা

ফাগুনৰ মোহময়ী বৰ্ণিল আবেলি। অস্তগামী বেলিয়ে শীৰ্ণ কাঞ্চণমতীৰ বুকুত ফাকু ছটিয়াইলুকাব খুজিছে দূৰণিৰ পৰ্বত মালাৰ আঁৰত। শীতৰ শেষৰ কাঞ্চনমতী নদী-উত্তালহীন শান্ত প্ৰৱাহমান। দুয়ো পাৰত শস্য-শ্যামলা উৰ্ব্বৰা উপত্যকা।

ভাৱত বিভোৰ বিনন্দ স্মৃতিৰ তলিত ডুবি যায় ধীৰে ধীৰে। পায়েলক লগ পোৱা কথাবোৰ, মূহুৰ্ত্তবোৰ আজিও দুনয়নৰ পৰা আতৰাব পৰা নাই সি। কিন্তু সি আজি কি পালে? আনন্দৰ বিপৰীতে বিষাদ। সি ভবা নাছিল তাৰ জীৱনত যে এই বিষাদ নামি আহিব।

বিনন্দ আছিল ঘৰৰ একমাত্ৰ ল'ৰা। ঘৰৰ সকলোৱে তাক বৰ মৰম কৰিছিল। যি লাগে বুলি কয় সেইবস্তুৱেই পাইছিল। মাক-দেউতাকৰ অবিহনে সি একো কাম কৰা নাছিল। এবাৰ সি মাক-দেউতাকৰ পৰা অনুমতি লৈ তাৰ অফিচৰ বন্ধুবিলাকৰ লগত পিকনিক খাব গ'ল। তাত লগ পালে বহুদিন আগৰে বান্ধৱী দীক্ষাক। দীক্ষাক লগ পোৱাৰ পিছত সিহঁতৰ মাজত বহুত পুৰণা কথা ওলাল আৰু দয়ো কথাবৰ্ত্তা হৈ বিদায় ললে দুয়ো দুয়োৰে পৰা।

তাৰ পিছত বিনন্দ আৰু দীক্ষাৰ ফোনৰ জৰিয়তে কথা-বতৰা হৈ থাকিল। এদিন দীক্ষাই সিহঁতৰ গাঁৱৰে তাইতকৈ সৰু কিন্তু তাইৰ বান্ধৱীৰ দৰে পায়েলৰ লগত বিনন্দক চিনাকী কৰি দিলে ফোনৰ জৰিয়তে। চিনাকী হোৱাৰ পৰা পায়েলৰ লগত সদায় কতা পতা হ'ল বিনন্দই।

এনেদৰে কথাবতৰা হওতে হও
এদিন প্ৰেমৰ প্ৰস্তাৱ দিলে বিনন্দৰে
মানি ললে প্ৰস্তাৱটো আৰু এসময়ত
গাঢ় হৈ উঠিল। এদিন ফোনত কথা নাপা
দিনটোৱে যেন নাযায় তেনেকুৱা ভাৱ হ
লগা প্ৰেম, দেখা-দেখি নাই, অথচ ইম
সিহঁত দুয়ো দুয়োকে প্ৰতিশ্ৰুতি দিলে। ত
দুয়োৰে হৈ থকাৰ। এই কথা অকল চি
মাজত যে হৈছিল তেনে নহয়। পায়ে
জানিছিল আৰু আনপিনে বিনন্দহতৰ ম
কথাটো গম পাইছিল।

এদিন পায়েলহতৰ কলেজত
আছিল। পায়েল আছিল H.S. 2
ছাত্ৰী। পায়েলৰ দুদিন আগৰে পৰা গা
কাৰণ নবাগতৰ দিনা তাই এটি আধু
লগতে তাইৰ অতদিনৰে পৰা ফোনৰ ভ
প্ৰেমিকক দেখিব। তাই বিনন্দক ফোনৰ
পঠালে।

বিনন্দই পায়েলক মৰমতে মুন
আৰু ফোনত সুধিলে তাই কাইলৈ কি
পায়েলে কলে মই এখন পিংক কালাৰৰ
বিনন্দইও কি পিন্ধিব সোধাত সি ক
কালাৰৰ স্পটি ং আৰু হাতী কাল
পিন্ধিম। এনেদৰে কোনে কি পিন্ধিব

ৰিলে।

পিছদিনা বিচনাৰ পৰা উঠাৰে পৰা পায়েলৰ
ণি নাই। কেনেকুৱাকৈ তাই নিজৰ দেহটো
াকে লৈয়ে ব্যস্ত। তাই পাতল পিংক কালাৰৰ
পিন্ধিলে আৰু মুখত নানান তৰহৰ বজৰুৱা
াৰ সানি অপেশ্বৰীৰ দৰে ওলাল। তাইক
গৰ কেইজনীয়ে ঠাট্টা কৰিলে ঐ তোৰ
া জন আহিব নেকি অ'? তই যে আজি
াৰ দৰে হৈ আহিছ। প্ৰিয়া নামৰ লগৰজনীয়ে
ল — তোক দেখি আজি মোৰ হিংসাহে
মোৰ জন আজি ইয়ালৈ অহাৰ কথা আছে,
ক দেখি মোৰ ফালে পাট্টা নিদিয়া হয় চাবি

তহতে বৰ বৰ কথা কৈ আছ দে। তহতে
নকি মোৰ যে সেই অচিন যুৱকজন আহিব।
 মই কাৰো প্ৰেম ভাঙিব। এইবুলি কৈ গোটেই
য়ে হাঁহিৰ খলক লগাই উখল-মাখল কৰি
লজৰ পিছফালে। এনেতে মোবাইল বাজি
ায়েলে Recieved কৰি কলে- হেল্ল' অ'
ইমান বেয়া মই ভবাই নাছিলো। তুমি দহ
াহি পাম বুলি কৈ এতিয়াও তোমাৰ দেখা-
াই। বিনন্দই কলে মুন, এতিয়া মই যে তোমাৰ
াষত, এবাৰ তুমি পিছফালে ঘুৰি চোৱা।
কোৱাৰ পিছত পায়েলে ঘুৰি চাই দেখে —
াচৰিত তাইৰ পিছফালে এজন ধুনীয়া যুৱক
লে চাই হাঁহি হাঁহি মোবাইলত কথা পাতি
য়া কি তাইৰ উত্তৰ এই ডেকাজনে দি আছে
পিছত তাই এফালৰ পৰা লক্ষ্য কৰি গ'ল—
লি যে কাপোৰৰ বৰ্ণনা দিছিল, এয়া
সকলোবোৰ ডেকাজনৰ গাত।

তাই অলপ বৈ মোবাইলৰ কানেকচন কাটি দি আকৌ বিনন্দলৈ কল কৰিলে। কল কৰাৰ লগে লগে ডেকাজনৰ ৰিংটনটো বাজি উঠিল আৰু লগে লগে তাই ডেকাজনক সাৱটি ধৰিব বিচাৰিছিল। বিনন্দই ক'লে— মুন তুমি অধিৰ নহবাচোন। তুমি এনেকুৱাখন কৰিলে কলেজৰ ল'ৰা-ছোৱালীবোৰে কি ক'ব। কথাখিনি শুনাৰ লগে লগে পায়েলৰ কানগৰম হৈ গৈছিল আৰু চিএৰি চিএৰি কৱৰ মন গৈছিল — চোৱা মোৰ বিনন্দ ইমান ভাল।

এনেতে কথা-বতৰা হৈ থাকোতে বিনন্দৰ অফিচৰ পৰা ফোন আহিল যে সি সোনকালে অফিচ পাব লাগে। লগে লগে তাৰ মনটো সেমেকি গ'ল অতদিনৰে পৰা চিনাকী হোৱা প্ৰেয়সীক আজি দেখা-দেখি হওতে হঠাৎ এনেকৈ এৰি যাব লগা হোৱাৰ বাবে। সি সেমেনা-সেমেনি কৰি পায়েলক কলে যে আজি কম সময়ৰ কাৰণে তোমাক লগ পালো আৰু কেতিয়াবা দেখা -দেখি হ'ম। এইবুলি কৈ সি তাইৰ পৰা বিদায় ললে।

সেইদিনা বিনন্দৰ ৰাতি টোপনি নাহিল। গোটেই দিনটোৰ ঘটনা মনলৈ অহাৰ লগে লগে পায়েলৰ ছবি ভাহি আহে। ইমান ধুনীয়া পায়েল, ইমান অপৰূপা। তাইৰ কণ্ঠটো যিমান শুৱলা, তাইয়ো সচাঁকৈ সিমান ধুনীয়া। তাইৰ দেহৰ বৰণ ইমান ধুনীয়া লগতে সি ভাল পোৱা কালাৰৰ শাৰী পিন্ধি আহিছে। পিংক কালাৰটো বিনন্দৰ খুবেই প্ৰিয়। তাতে আকৌ তাৰ প্ৰেয়সীয়ে প্ৰথম দেখা দিছে পিংক কালাৰৰ শাৰী পিন্ধি।

পৰীক্ষাৰ শেষ দিন। সেইদিনা পায়েলে বিনন্দক কলেজলৈ মাতিলে। পৰীক্ষা শেষ হোৱাৰ পিচত দুয়ো কাঞ্চনমতী নদীৰ পাৰৰ শিল এচটাত বহি লৈ নানা ধৰনৰ কথা পাতিলে। কথাৰ মাজতে বিনন্দই এবাৰ কলে— মুন এই ঠাইখিনি মোৰ খুব ভাল লাগে। কাঞ্চন বৰুৱাৰ "অসীমত যাৰ হেৰাল সীমা" কিতাপখনিত যে কমল নগৰৰ বৰ্ণনা আছে, ঠাইখিনি মোৰ তেনেকুৱা যেন লাগে। তুমি আৰু মই যেন সদায় ইয়াতে থাকিম মোৰ তেনেকুৱা এটা ভাব হয়। কেতিয়াবা মোৰ আৰু কি ভাব হয় জানা তুমি যেন মোক এৰি আনৰ হ'বা। মোৰ পৰা জানো তোমাক কোনোবাই কাঢ়ি লৈ যাব। এইবোৰ শুনাৰ লগে লগে পায়েলে বিনন্দক মুৰত হাত দি কলে— এইবোৰ আৰু নকবা প্লিজ। এইবুলি পায়েলে বিনন্দৰ মুখত হাত দি বাধা দিলে। এনেদৰে কথা বতৰা হৈ থাকোতে অস্তগামী তপনে দুৰণি পৰ্ব্বতমালাৰ আৰত লুকাল। এনে সময়তে দুয়ো ঘৰা-ঘৰি যাবলৈ এলাল। যাবৰ সময়ত বিনন্দই তাইক এটা ধুনীয়া গিফ্‌ট দিলে আৰু কলে— মুন তুমি সদায় যাতে এই গিফ্‌টৰ দৰে ধুনীয়া হৈ থাকা আৰু ভালদৰে থাকিবা। এইবুলি কৈ তাইৰ পৰা বিদায় ল'লে।


এদিন কথা-বতৰাৰ মাজতে পায়েলে বিনন্দক কৈছিল যে তোমাক এটা চাৰপ্ৰাইজ দিম। বিনন্দই সুধিলে- কেতিয়া দিবা। তাই কলে যেতিয়া শুনিবা হয়তো তেতিয়াই। চাৰপ্ৰাইজ দিম বুলি কোৱাৰ দুদিন মান পিছৰে পৰা পায়েলৰ মোবাইল চু... পায়েলৰ চুইছ অফ পোৱা বাবে দীক্ষালৈ ফো... সি। দীক্ষালৈ ফোন কৰি গম পালে যে প... বিনন্দৰ হৈ থকা নাই। পায়েলে বিনন্দক প্ৰ... আন এজনলৈ গুছি গ'ল। বিনন্দই বিশ্বা... টান পালে যে দীক্ষাই আগতেও বহুতবা... চৰিত্ৰৰ বিষয়ে কৈছিল। কিন্তু সি তেতিয়া... নাছিল, কাৰণ পায়েলক কথাবোৰ সু... ওলোটাকৈ দীক্ষাকহে অপযশ জাপি দিছি... বিনন্দৰ প্ৰতি দুৰ্বলতা থকা বুলি কৈছিল। সে... কথাবোৰ মানিবলৈ টান পাইছিল বিনন্দই...

পিছত পায়েলৰ তিনি চাৰিজনী ম... ফোন কৰি গম পালে যে দীক্ষাৰ কথাবোৰ... বিনন্দৰ মুখেৰে অটোমেটিক ওলাই গ'ল... প্ৰতাৰণা কৰাই হয়তো পায়েলৰ চাৰপ্ৰাই... বিনন্দই নিজকে নিজে কৈ গ'ল।

পাহাৰৰ কাষেৰে নিৰবধি কাষ... আছিল নীৰৱে। বতাহত মাধৈমালতী... বিনন্দৰ মন পুলকিত কৰিব নোৱাৰিলে... সমস্ত কষ্ট আৰু অভিলাসেৰে সজোৱা ... চূৰ্ণ-বিচুৰ্ণ হৈ গ'ল। সপোন ভাঙি মনোকষ্ট... কষ্টৰ অহৰ্নিশ আকুহা-বাকুহাই হৃদয় মন... গ'ল। বিষন্ন পৰত বিনন্দৰ মন কান্দি উঠে... আন্তৰিক স্নেহৰ সংস্পৰ্শ বিচাৰি মন ব্যাকু...

# “এখন বিশেষ চিঠি”

*মানসী পাটোৱাৰী*
স্নাতক তৃতীয় বৰ্ষ



চন্দ্ৰা

ই বছৰৰ পৰিসমাপ্তিৰ তোমালৈ লিখিব ললো ঠি। চিঠিখন তোমাৰ হাত পায়গৈ মানে মই হুদূৰ পামগৈ।

দ্ৰা মই সুধিব বিচৰা নাই তুমি সেইদিনা কিয় মোৰ হবলৈ গৈয়ো ৱশেষত মোৰ নহলা। ত আশাৰ গধুৰ বোজাটো কঢ়িয়াইুভটিছিলো টৰ ধূলিএৰি অচিনাকি বাটলৈ। তাৰ পিছত য়াজনেই হেৰাই গলো, সময়ৰ লগে লগে বৃত্তৰ মাজত সোমাই পৰিলো। মনত আছে ই যে জোৰ কৰি তোমাক কোনো কথাতে কৰা নাছিলো, কোনো উত্তৰ কোনো বিচৰা নাছিলো। যিটো ‘গুন’ তুমি মোৰ কে ভাল পাইছিলা। আৰু আজিও তাৰ নহ’ল। চন্দ্ৰা, তোমাৰ স্মৃতিয়ে আমনি কিন্তু দুখ, অভিমানে তোমাৰ ওচৰলৈ যাব য়া নাছিল। অথচ তোমাৰ কথাবোৰে হৃদয়ৰ ৱোঠালিতে অহা-যোৱা কৰিছিল প্ৰতিদিনে। চাবলৈ খুব হেপাহ হৈছিল, মোৰ ভাল লগা সেই শোৱালি, বকুল ফুল বোটলা দৃশ্যটি, এটি এটিকৈ তুলি লোৱা ফুলবোৰ পিঠিত বৈ থোৱা চুলি কোচা, তাৰ আঁৰত লুকাই থকা সেই মুহূৰ্ত্তত তোমাক এজনী দেৱকন্যাৰ দৰে। এইবোৰ সুখৰ দিনৰ দুখে ধোৱা স্মৃতি।

তোমাক বিচাৰি যোৱা কথা ভবিছিলো কিন্তু তোমাৰ শেষ সিদ্ধান্ত নজনাৰ বাবে থমকি ৰৈছিলো। আৰু পিছত তোমাৰ দেউতাৰ মৃত্যু, মা বৃন্দাবনলৈ যোৱা খবৰ পায় নিজকে থিৰে ৰাখিব পৰা নাছিলো। সেই সময়ত তোমাৰ সতে বিচ্ছেদিত হোৱা পাঁচ বছৰ হৈছিল। চন্দ্ৰা, তোমাৰ চকুহাল ভাহি উঠিছিল। ভাবিব ভয় লাগিছিল তোমাৰ কৰুণ চকু জুৰি চাগৈ আৰু কিমান কৰুণ হৈ পৰিছে। আৰু তোমাৰ মানসিক অৱস্থাটো? দুখ, অভিমানৰ পাহাৰ খন ভাঙি পৰিছিল। এদিন তোমাক চাবলৈ গৈ চাই আহিছিলো তোমালোকৰ উদং ঘৰখন। তুমি কোনো এটা প্ৰাণীকে জনোৱা নাছিলা তুমি ক’লৈ গুচি গ’লা। অকলে ঘৰৰ পৰা টাউনলৈ যাব নোখোজা, কাষত থকাজনৰ হাতত নধৰিলে নোহোৱা ছোৱালী জনীয়ে একেবাৰে নিসংগ হৈ কলৈ যাব পাৰে। য’তে ত’তে বিচাৰিব আৰম্ভ কৰি দিছিলো। সময়ে সময়ে কোম্পানীৰ কামৰ তাগিদাত ভীষণ ব্যস্ত হৈ পৰিছিলো। সিদিনা চেপ্টেম্বৰ মাহৰ শেষৰ ফালে গুৱাহাটীলৈ আহিছিলো, ৰাস্তাৰে গৈ থাকোতে দেখিছিলো ‘SOS’ৰ (অনাথ আশ্ৰম) সাংস্কৃতিক অনুষ্ঠান চলি আছে চাবলৈ মনটোৱে বৰকৈ টানিলে তুমি প্ৰায়ে কৈছিলা ‘বুঢ়া হ’লে আমি অনাথ আশ্ৰম এখন খুলি লম।’ সোমাই গৈছিলো বিশাল কম্পাউণ্ডটোৰ ভিতৰলৈ, এফালৰ পৰা চাই গৈছিলো সৰু ডাঙৰ ল’ৰা-ছোৱালীবোৰৰ সৰল, নিস্পাপ মুখবোৰ সুধিব মন গৈছিল সিহঁতক টকাৰে কিনি ৰখা মৰমৰ উত্তাপ কিমান গভীৰ।

সকলোৰে দৃষ্টি মঞ্চৰ পিনে কোনোবা এগৰাকীয়ে শান্ত-শীতল কণ্ঠেৰে কৈ আছে। তুমি আছিলা চন্দ্ৰা। তোমাৰ মুখখনিত কি এক অদ্ভুদ মমতা দেখিছিলো, কথাৰ মাজে মাজে লাহেকৈ হাঁহি দিছিলা। সেই একেই সেমেকা হাঁহি। সেই মুহুৰ্ত্তত চিঞৰি চিঞৰি কান্দি কবলৈ মন গৈছিল চন্দ্ৰা ময়ো যে আনাথ হৈ পৰিছো। ভাষনৰ শেষৰ কথাখিনিহে কানত সোমাইছিল। তুমি 'SOS'(Save Our Soul) ৰ মুৰব্বীয়ে প্ৰসাৰ কৰিব বিচৰা শাখাৰ দায়িত্ব তোমাৰ হাতত গচাবলৈ অনুৰোধ কৰিছা। মঞ্চৰ আসনত এটা সময়ত বহি লৈছিলা। তুমি মোক দেখা নাছিলা। মই দেখিছিলো চন্দ্ৰা তোমাৰ দুচকুৰ আৰৰ বিষন্নতাখিনিক, দুকোণত ওলমি ৰোৱা দুটোপাল চকুপানী। সিদিনা তোমাক মাত নলগোৱাকৈয়ে ওলাই আহিছিলো। সকলো কাম পেলাই ঢাপলি মেলিছিলো হৰিনাথ ককাৰ ওচৰলৈ (যাৰ হাতত গটাই আহিছা তোমালোকৰ ঘৰখন)। চন্দ্ৰা জীৱনৰ প্ৰতিটো কামৰ সহযোগী হৈ থকাৰ কল্পনা কৰিছিলো, আধাবাটতে বিচ্ছিন্ন হৈ গ'লা। শেষ লক্ষ্যত উপনীত হৈছা। তোমাৰ উ তুমি আজি হেজাৰ জনৰ মাতৃ। তোমা দুহাত কোনো কালে পিছুৱাই আনিব নোৱ আজি তোমাৰ কামত আগবঢ়াইছো। চন্দ্ৰা মাটি ডৰা (তৰাজানৰ) তোমাৰ নামত বাকী মাটিবোৰ ভণ্টিৰ নামত উইল ক তোমাৰ কাগজবোৰ ককাৰ হাতত থোৱা মাটি ডৰাত এখন আশ্ৰম খুলিবা।

মোৰ উকা পৃথিৱীখনত ভাগৰি প যিদিনাই বহুত ভাগৰুৱা অনুভৱ কৰিম। ওচৰলৈ যাম, ধৰি লবা তোমাৰ আশ্ৰমৰ শিশু। বিনিময় আন একো নালাগে। ল মমতা কিছু স্নেহ।

তোমা

সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নো



# পূৰ্বজন্মৰ স্মৃতি

*কবিতা কাকতি (মুন)*
স্নাতক দ্বিতীয় বৰ্ষ

জি কেইদিনমানৰ পৰা মনোজ আৰু মনত শান্তি নাই। সিহঁতৰ সংসাৰত সকলো ন একো নাই। পুতেকৰ চিন্তাই খুলি খুলি ছে।

াজ শইকীয়া বকুলতলি গাৱৰ এজন ী মানী লোক। অৰুণিমা আছিল তেখেতৰ তৰ সংসাৰত সন্তান বুলিবলৈ আছিল ৱা পল্লৱ।

ৱৰ মুখেৰে এযাৰ-দুযাৰকৈ মাত ওলোৱাৰ ী দেউতাকক কলে যে তাক এটি ঢোল াগে। তাৰ কথা শুনি মাক-দেউতাকৰ হাঁহি াৰু কৈছিল সোণ, কি তই ঢুলীয়াহে হব ? হব দে বুলি দেউতাকে এটি ঢোল আনি ক।

ৱে ঢোলটো লৈ এনেকুৱা চাপৰ ধৰিলে ালৰ চাপৰ শুনি মাক-দেউতাকৰ লগতে য়াও অবাক। লাহে লাহে পল্লৱ যিমানে আহিল তাৰ কথা-বাৰ্তাবোৰ শুনিলে ভয় ৱৰ মূৰৰ ভ্ৰম হোৱা বুলি ডাক্তৰকো কিন্তু একো ফল নধৰিলে।

হ লাহে পল্লৱ ওঠৰ (১৮) বছৰীয়া ডেকা এদিন কলেজত পল্লৱৰ বন্ধু অনুপে কলে কনো অনবৰতে শেৱালী-শেৱালীকৈ থকা অ'? কোন শেৱালী আজি তই মোক কবই লাগিব। কি কম অনুপ,- অতীত হেৰাই গ'ল, অতীতৰ চিন চাব নাই। হৃদয়ত বান্ধ খোৱা মৰমৰ এনাজৰী আছে মাথোন মোৰ পাক খাই। মোৰ সেই শেৱালী জনীৰ সুবাস নাপাম কিজানি। নিস্প্ৰভ আত্মাই কান্দি উঠে সেই সুবাস স্মৃতি বিচাৰি। মাথোন অবিনাশী স্মৃতিবোৰ অনন্ত গতিৰে চলি থাকিল মনৰ মাজত অনুপ. শেৱালীজনীৰ যদি পৰিচয় পাওঁ কেতিয়াবা নিশ্চয় এদিন সকলো কম।

আজি পল্লৱ হঁতৰ কলেজত নৱাগত আদৰণি সভা। কলেজত পল্লৱক সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাল ঢুলীয়া বুলি জানে। সেয়েহে পল্লৱকো সভাত ঢোল বজাবলৈ মাতিলে পল্লৱে ঢোলটো কান্ধত লৈ অকলশৰীয়াকৈ বহি ভাৱি আছে— শেৱালী, মোক অকলশৰীয়া কৰি তুমি কত বাৰু এতিয়া? নোপোৱাৰ নেদেখাৰ হাঁহাকাৰেৰে সিক্ত মন এটা লৈ বিচাৰি ফুৰো ঢোলটি কান্ধত লৈ। মোৰ এই চিনাকী ঢোলৰ শব্দ শুনি তুমি আহি কবা — "মৃন্ময় মই জীয়াই আছো, মই জীয়াই আছো মৃন্ময়,— সু-খে-ৰে।"

ঐ পল্লৱ, প্ৰিন্সিপাল বাইদেউৱে আমাৰ মঞ্চত এইবাৰ পল্লৱ শইকীয়া বুলি মাতি থকা শুনা নাই? আহ তাৱাতাৰি আহ বুলি পল্লৱৰ বন্ধু অনুপে মাতি থৈ গ'ল। পল্লৱে মঞ্চত সেৱা এটি কৰি সোমাই গ'ল। আৰু ঢোল বজোৱাত যদি কিবা ভুল ভ্ৰান্তি হয় ক্ষমা

বিচাৰি ঢোলত কোব ধৰিলে। পল্লৱে প্ৰায় আধা ঘণ্টা ধৰি ঢোল বজালে। পল্লৱৰ ঢোলৰ শব্দ শুনি সকলোৰে গা নাচি উঠিল। মঞ্চত উপস্থিত থকা অতিথি বৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীবোৰৰ হাত চাপৰিতহে প্ৰিন্সিপাল বাইদেউৱে নৱাগত আদৰণি সভাত থকা বুলি গম পালে। ঢোলৰ শব্দত বাইদেউৰো মন লৰালি কালিলৈ গুচি গৈছিল।

ধন্যবাদ পল্লৱ শইকীয়া ধন্যবাদ, বুলি বাইদেউৱে কলে। আৰু কলে পল্লৱ, তুমি সভা শেষ হোৱাৰ পিছত যেনে তেনে মোক লগ ধৰিবা।

সভা ভংগ হোৱাৰ পিছত পল্লৱে বাইদেউৰ ওচৰলৈ গ'ল আৰু কিয় মাতিছিল সুধিলে। বাইদেউৱে কলে যে তুমি ঢোল বজাবলৈ কত শিকিছা? তোমাৰ শিক্ষাগুৰু কোন?

বাইদেউ, মোৰ শিক্ষাগুৰু কোনো নাই। মই নিজেই বুলি কব লাগিব। মোৰ ঢোলৰ শব্দত এটা ডাঙৰ ৰহস্য সোমাই আছে বাইদেউ। আপুনি যিহেতু মোক গুৰুৰ কথা সুধিছে কম, মই আপোনাক সকলো খুলি কম কাৰণ মোৰ গুৰু কোন? ক'ত শিকিছো? তেনেকৈ সোধা আপোনাৰ বাহিৰে দ্বিতীয় ব্যক্তি এতিয়ালৈকে পোৱা নাই। শুনক বাইদেউ, তেতিয়া আছিলো মই মৃন্ময় দত্ত। মোৰ বয়স আছিল বাৰ (১২) বছৰ। আৰু তেতিয়াৰ মৃন্ময়ে সেই বাৰ বছৰ বয়সতে প্ৰেমত পৰিছিল শেৱালী দত্তৰ। আৰু সেই ভালপোৱাৰ জন্ম হৈছিল— শেৱালীয়ে বিহু নাছে, আৰু মই ঢুলীয়া। মোক ঢোল বজাবলৈ কোনোৱে শিকোৱা নাছিল। ঢোল বজোৱাৰ প্ৰেৰণা পাইছিলো শেৱালী জনীৰ

পৰাই। এদিন শেৱালী আৰু মই ওমলি ৰ... থাকোতে শেৱালীয়ে কৈছিল, - ঐ মৃ... পৰাই আমি আৰু বালিঘৰ নবনাও দে... বজাবি আৰু মই নাচিম। তই ডাঙৰ হলে অ... ঢুলীয়া আৰু মই নাচনী হ'ম। মেয়ো কৈ... দে কিন্তু সময় বৰ নিষ্ঠুৰ। আমাৰ প্ৰেম (... ভগৱানৰো সহ্য নহল। মাত্ৰ চাৰিদিনৰ ভি... ভুগি মোৰ মৃত্যু হয়। বেচেৰী শেৱালী... হ'ল? তাই এতিয়াও সুখেৰে জীয়াই আ... অসমৰ বিখ্যাত নাচনী হলনে?

এতিয়া যদিও মই পল্লৱ শইকীয়... অতীতৰ মৃন্ময় হৈয়ে আছে। হয়তো শেৱ... কেনেকৈ জীয়াই আছে জানিলেহে এ... শইকীয়া হব পাৰিম। মোৰ ঢোল... শেৱালীজনীয়ে যেন আহি কয়— মই ... মৃন্ময়, সু-খে-ৰে -সু-খে-ৰে মোৰ ঢোলৰ... ৰহস্য বাইদেউ এয়াই। পল্লৱে হুক-হুকক...

পৃথিৱীৰ প্ৰত্যেক খন যান পিছ... ৰখাই থবলৈ ব্ৰেক থাকে যদিও সময় ন... কিয় নাথাকে বাৰু? কিয় নাথাকে? সময়... হলে ঘুৰি গলোহেতেন অতীতলৈ, আৰু... ফুৰা স্মৃতিৰ পাঁজৰলৈ। মই জীয়াই আ... জীয়াই আছো সুখেৰে। তুমি নথকাৰ বাবে... নাচনী হব নোৱাৰিলো। তুমি এতিয়াৰ প... হবলৈ চেষ্টা কৰা মৃন্ময়। এইবুলি কৈ কম... শ্ৰীযুতা শেৱালী দত্তই মাটিত ঢলি পৰি...

# এটা অপ্ৰকাশিত সুৰ

ইছলাম আলী (মন)
স্নাতক তৃতীয় বৰ্ষ

নসৰ্গিক এজাক জীপাল স্মৃতিত, সময়ে ন কাৰ স্বপ্নময় মতলীয়া ধেমালি, যিদৰে মনৰ বগায় কমলাৰঙী আবেলি, এদিন সৰিয়হ নে লৰ জিৰণি সময়ৰ ঢাপ ঢাপে বগাৰ উন্মুক্ত পাতত, নিজকে নিজেই থাকিম কলেজীয়া ময়ক সুৱৰি।

কলোবোৰ সলনি হৈছে। পাখি লগা কাঁড়ৰ তৰ কোমল আঁজলি এৰুৱাই খুব দ্ৰুতগতিৰে গছে সময়। চাওঁতে চাওঁতে কলেজৰ পাঁচটা হ'বৰ হ'ল মাত্ৰ কিছুদিন বাকী। কলেজৰ স্মৃতিৰ গৰাহলৈ ঠেলি জীৱনলৈ কি আহিব সেয়া সময়ত জনা যাব। হয় নিজৰ ৰো নিজে নজনাকৈ সময়ৰ গতিত অতি ন সলনি হৈ যায়। কলেজত যিমান বেয়া ৱালী নাথাকক কিয় এটা সময়ত সকলোৱে হৈ পৰে। কলেজৰ স্নাতক তৃতীয় বৰ্ষৰ, া, জুলি, দিপিকা, জান, ভাস্কৰ, নিবাৰণ, মন, দানী, হৰেশ্বৰ, মিনু সকলোৱে পুখুৰি ই মৌন হৈ আছে। কাৰো মুখত মাতবোল কলোৰে মনবোৰ সেমেকি উঠিছে। আৰু পিছত সকলোৱে এৰা-এৰি হব। জীৱনত তিয়াও এনেদৰে লগ হব নোৱাৰিব। হয়তো কেতিয়াবা হঠাতে লগ পোৱা যাব, তেতিয়া কামৰ বাবে, সময়ৰ ব্যস্ততাৰ বাবে এনেকৈ কথা পাতিব নোৱাৰিব। সকলোৰে বেয়া লাগিছে। তাৰ মাজতে মিনুই উচুপি উঠিছে। আজিজ্ৰক নোপোৱাৰ চিন্তাই জুৰুলা কৰিছে মানসীক হঠাৎ নিৰবতা ভংগ কৰি হৰেশ্বৰে কৈ উঠিল ঃ মন, কলেজ যিহেতু শেষ হবৰ হ'ল গতিকে তোৰ কথাষাৰ তাইক কৈ দিয়াটো ভাল হ'ব নেকি? হৰেশ্বৰৰ কথা শেষ হবই নিদিলে, আটাইবোৰে চিঞৰি উঠিল, ঃ কোন অ হৰেশ্বৰ। মনে কাক ভাল পায়। সেইজনী ছোৱালীয়ে, যিজনী ছোৱালী আমাৰ কলেজৰ সকলো ল'ৰাৰে সপোনৰ ৰাণী। যৌৱনৰ প্ৰচুৰ সম্ভাৰেৰে ভৰপুৰ এক অত্যাধুনিকা দৃষ্টিত যাৰ ফুটি উঠে প্ৰেমৰ প্ৰাত্যহিক আহ্বান। যাৰ আকৰ্ষণীয় হাঁহিটি মনে তুলনা কৰে ভিঞ্চিৰ মনালিছাৰ হাঁহিটিৰ সৈতে, সেইজনী ছোৱালীয়ে আমাৰ কলেজৰ স্নাতক প্ৰথম বৰ্ষৰ। এইবাৰ নবাগত আদৰণি সভাত যে বিহু নাচিছিল, হয়নে হৰেশ্বৰ? দানীৰ কথাত হৰেশ্বৰে হয়ভৰ দিনে

মন, তই যে তাইক ভাল পাৱ, তাই জানে নে নাজানে? চানোৱাৰাৰ কথাত সি অলপ লাজ পোৱা যেন লাগিল। কাৰণ মনে সদায়ে সিহতৰ বিষয়ে বিশ্লেষণ কৰে, আজি প্ৰথম বাৰৰ বাবে তাৰ বিষয়ে সিহতে জনা বাবে। হয়তো তাই নাজানে। কিন্তু তাইক যে মই দুৰৰ পৰা চাই থাকো সেইটো জানে। তেনেহলে আজিয়ে মই তাইক কৈ দিম হবনে মন? কথাষাৰ কৈ ভাস্কৰে তাৰ মুখলৈ চায় ৰ'ল।

মন অলপ চিন্তাত পৰিল। যদি তাইক ভাল পোৱাৰ পিছত তায়ো এদিন............যদি সিয়ো এদিন কাছিম নামৰ ল'ৰাটোৰ দৰে মানসিক ভাৱে ভাগি পৰিব লগীয়া হয়। যদি তায়ো এদিন তাৰ চকুৰ সন্মুখতে আন কাৰোবাক আকোৱালি লয় তেতিয়া....... মনৰ বাৰে বাৰে সেই দিনটোৰ কথা মনত পৰিল।

২০০৬ চনৰ ১৪ চেপ্তেম্বৰ। সিদিনা আছিল বিহদিয়া কলেজত নৱাগত আদৰণি সভা। নৱাগত আদৰণি সভা চাবলৈ তাৰ লগত গৈছিল সিহঁতৰ একে গাওঁৰে তাৰ বন্ধু কাছিম। নৱাগত আদৰণি সভা চাবলৈ বিহদিয়া ছোৱালী হাইস্কুলৰ ছোৱালীবোৰো আহিছিল। তাৰে মাজৰ মৰ্জিনা নামৰ ছোৱালী এজনীক সি ভাল পাইছিল। তাইৰ গাত এনে কোনো অসাধাৰণ গুণ নাছিল। অন্য দহজনীৰ দৰে তায়ো আছিল এজনী সাধাৰণ ছোৱালী। মিঠাবৰণীয়া ছোৱালীজনী তাৰো কিবা এটা ভাল লাগি গৈছিল। কাছিমে গুৱাহাটীত কোম্পানী এটাত সৰু চাকৰি কৰিছিল। সি প্ৰতি শনিবাৰে গুৱাহাটীৰ পৰা মৰ্জিনাক লগ কৰিবলৈ আহিছিল বিহদিয়ালৈ। বহুত ভাল পাইছিল তাকি সি মৰ্জিনাও তাক প্ৰতিশ্ৰুতি দিছিল তাক নাপালে তায়ো আজীৱন কুমাৰী হৈ ৰব বুলি। কিন্তু এদিন.... তাই অন্য এজন ল'ৰাৰ প্ৰেমত পৰি তাক পাহৰি গৈছিল। সিদিনাহে গম পোৱা গৈছিল ইমান শান্ত-সমাহিত মৰমসনা অৱয়বৰ সিটো পাৰে ইমান নিষ্ঠুৰ নিৰ্দয় মন এটায়ো বাৰু সহবাস কৰিব পাৰিছিল। মানসিক ভাৱে ভাগি পৰিছিল সি। সেই সময়ত তাৰ জীৱনৰ ৰং ভিযাদ হালধীয়া হৈ পৰিছিল। হয়তো সিও এটা সেউজীয়া সপোন দেখিছিল। কিন্তু মৰ্জিনাই তাক প্ৰতাৰণা কৰি দূৰলৈ আতৰি গৈছিল। যিদৰে

সেউজীয়া বোৰক দূৰৰ পৰা চালে যি ৰঙত কাছিমৰ হৃদয়খনো তেনে হৈছিল। যিটো মনে নিজ চকুৰে দেখা পাইছিল। সেয়ে লাগে। যদি কাছিমৰ নিচিনা তাৰো হয়। অৱ জনী ছোৱালী তেনে নহয়। কোনোবাই হৃদয়ৰ অনুভৱ সকলোকে একে বুলি ধৰি হ'ব। এনেকুৱা বহু ছোৱালী আছে, প্ৰে অনুভৱ বুলি ধৰি লোৱা। মনে ভাস্কৰক ক

ঃ নাই নালাগে ভাস্কৰ। মুখে কৰিলেহে সম্বন্ধ হব পাৰে নেকি? সম্ব অনুভৱেৰেই হব পাৰে। সিদিনা সকলো ওভতিছিল।

দিন বাগৰিল। পৰীক্ষা আৰম্ভ হ' এদিন কৈ পৰীক্ষাও আজি শেষ। পৰীক্ষা ওলায়ে যেন সকলোৰে উচুপি উঠিল। এয় একেলগে সিহতৰ শেষ দেখা দেখি। কো কাক কাৰ জীৱনত কি আছে। সৌ সিদিনা গল চিৰদিনৰ বাবে আতৰি। বাকী বোৰৰ কি আছে, কোনেও নাজানে। হয়তো তাইৰ জীৱনক লৈ বহুতো সেউজীয় দেখিছিল। কিন্তু তাই এতিয়া ক'ত.......... বাবে সকলোৰে মৌন হৈ ৰৈছিল। এ চানোৱাৰাই মৌনতা ভাঙি আটাইকে ভৱিষ্য বাবে উইচ কৰিছিল।? ভাইটিৰ মুখত ম কাৰণ জুৰিয়ে তাক কোৱা নাই বাবে। কোনোমতে হাঁহি হাঁহি কৈছিল— আৰে মোলৈ চা না সুখ হে না দুখ হে, একদ হৰেশ্বৰৰ কথাত দুখৰ মাজতে সিহঁতে ৰাজুৰে কৈছিল মিনু তাৰ ডিঙিত লটকি ভাস্কৰে চন্দ্ৰমাৰ কথা ভাবি সেমেনা


কৰিছিল। দানীয়ে চানোৱাৰ ফালে বৰকৈ
ল, মানসিৰ মন হয়তো ডুবাইলৈ উৰি গৈছিল।
তাৰে আকৌ সকলোকে কাৰোবাৰ বিয়া হলে
বলৈ কৈছিল। মিনুক আফতাৱে পলাই যাবলৈ
কৰিছিল। আন দিনা আফতাৰে কিবা কলে খং
মিনুৱে সিদিনা মাত্র হাঁহিছিল। ৰুমী বৰ চিৰিয়াছ
হৈ আছিল। আৰু মন তাৰ মাথো সেই পৰীজনীলৈ
মনত পৰিছিল। এটা সময়ত সকলোৱে যাবলৈ ওলাল
মনে মাথো স্নাতক প্ৰথম বৰ্ষৰ ৰুমটোলৈ চাইছিল আৰু
তাৰ মনত এটা গীত ভাহি আহিছিল.....

প্ৰথম দেখাতেই ভবিছিলো বহু কথা,
কম, বুলি নহ'ল কোৱা।



লোকৰ দোষ ধৰাটো যিমান বুদ্ধি মানৰ কাম নিজক পবিত্র কৰাটো তাতকৈ বুদ্ধি মানৰ কাম।

—— মহাত্মা গান্ধী।



## সঁহাৰি

ৰেকিব আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ সপোনৰ লগৰী নিদিয়া কিয় সহাঁৰি,
এদিন এদিন কৈ বহু বছৰ উকলি গ'ল।
আছিলো মই তোমাৰ বাবেই ব্যাকুলতাৰেই বৈ,
কোনেও বাৰু নুবুজিলা মোৰ দুচকুৰ ভাষা।
আহিবানে প্ৰিয়া মোৰ সপোন উজ্জ্বলাবলৈ,
আছো মই যে তোমালৈ বহু আশাৰে বৈ।
নহবা আৰু নিষ্ঠুৰ নাগাবা বিৰহী গীত,
সময় যে নাই, আছে মাথো জীয়াজুই।
নেহেৰাও স্বপ্ন জোনাকৰ সপোন আছো মই,
এই জীৱন লৈ আহিবা বুলি তুমি সহাৰি লৈ।

## এটি ভাৱনা

ৰমেন্দ্ৰ পাটোৱাৰী
স্নাতক দ্বিতীয় বৰ্ষ

ওচৰলৈ চোৱা ধমকি ৰওঁ
মই যে বহু দূৰত
বিকশিত জ্যোতিয়ে,
দিয়েহি বিমল আনন্দ
শান্তিৰ এক আলোড়ন।
বিচাৰি পাওঁ তোমাৰ চকুত
নীলা আকাশৰ সীমাহীন মৰম
তথাপিও মই বহু দূৰত।

## এটি জীৱনৰ সন্ধা

স্নাত

কোনে বাৰু তুমি
কি লাগে তোমাক
ভগ্ন-ৰুক্ষ হৃদয়ে বিচৰা
সকলো মৰম চেনেহ।
আৰু মৰহি যাব ধৰা
এটি যুগৰ কলি,
শুকুৱাবে ধৰা এটি মন
আৰু কিনো বাকী থাকি
তুমি মৰহি যাব খোজা জীৱ
এক অবুজ শিহৰণ।

## তোমাৰ বাবে

হুৰে
স্নাত

মোৰ বাবেই মই বৈ আছিলো।
আহো বুলিও নাহিল
কুঁহিপাত কুমলীয়া বসন্ত
ঘন উলাহত বাজি থকা
বিষাদৰ উষ্ণতা
উৎকণ্ঠিত অপেক্ষা
তোমাৰ বাবেই আছিল
তুমি তোমাৰ বাবেই বৈ আছিলা চাগে
সেয়ে মোৰ বাবে নাহিলা।

# মৃত্যুৰ বিজ্ঞাপন

মছলিমুদ্দিন আহমেদ
স্নাতক ২য় বৰ্ষ

মৃত্যুৰ বাবে বিজ্ঞাপন দিয়া হৈছিল
সাক্ষাৎকাৰৰ দিন - ৩০ অ'ৈবৰ' ০৮।
সাক্ষাত গ্ৰহণৰ সময় - ৰাতিপু ৱা
১১-১৫ বজাৰ পৰা ১১-৩৬ বজালৈ।
অৰ্হতা — সকলো শ্ৰেণীৰ বাবে মুকলি।
বয়স — জন্মৰ পৰা জীয়াই থকা লৈকে।
সাক্ষাত গ্ৰহণৰ স্থান— য'ত মানুহৰ বেছি
সমাগম হয়। বিশেষকৈ গণেশগুৰি,
চি. জে. এম. কৰ্ট, কোকৰাঝাৰ,
বৰপেটাৰোড আৰু বঙাইগাঁও।
কৰ্মস্থান — কিছুমানক কবৰস্থানত
আৰু আনকিছুমানক শ্মসানত।
অসমীয়া প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ
দিয়া হৈছিল।
সাক্ষাত গ্ৰহণকাৰী — মানুহৰ তেজেৰে
ফাকু খেলা, উশাহত মানুহৰ পোৰা
মঙহৰ গোন্ধ সেৱন কৰা — সন্ত্ৰাসবাদী।
নিযুক্তিৰ বাবে অপেক্ষাৰত প্ৰাৰ্থীসকলক
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগতে
কোকৰাঝাৰ, বৰপেটা, বঙাগাঁও
আৰু উত্তৰ বংগ আদি ঠাইৰ
বিভিন্ন চিকিৎসালয়ত অৱস্থান কৰিবলৈ
দিয়া হৈছিল।
ইয়াৰে কিছুমানক মৃত্যুত নিযুক্তি
দিয়া হৈছিল আৰু আন কিছুমানক
মৃত্যুৰ পৰৱৰ্তী বিজ্ঞাপনৰ বাবে
ৰৈ থাকিবলৈ ঘৰলৈ ওভতাই
পঠোৱা হৈছিল।
নিযুক্তিৰ ফলাফল —
৩০ অ'ৈৱৰৰ পৰা সংবাদ
মাধ্যমৰ জৰিয়তে প্ৰকাশ।
(৩০ অক্টোবৰ' ০৮ ৰ বোমা বিস্ফোৰণৰ আধাৰত)
সন্ত্ৰাসবাদীৰ এনে ঘটনাৰ পৰা সাৱধান হোৱাৰ আশাৰে....।

# বহাগ তুমি আহিবা


*ববিতা ডেকা (তৰা)*
স্নাতক তৃতীয় বৰ্ষ

বহাগ তোমাৰ আগমনে
মনত পেলাই দিয়ে
কুলিৰ কোমল মাতেৰে
যৌৱনৰ ভৰা দিনবোৰলে।
তুমি আহিবা, তুমি আহিবা বহাগ
মোৰ প্ৰতাৰিত জীৱনলে
ৰঙাই তুলিবলৈ
এপিয়লা ৰঙীণ সপোন।
পাতি লোৱা গভীৰ সম্পৰ্কৰ মুখা খুলি দিবলৈ
গা-ঘেলাই ফুৰা চৰাইবোৰৰ ডেউকাত
তোমাৰ জীৱনৰ ৰঙীণ সপোন
তুমি আহিবা বহাগ
বহাগ তুমি আহিবা, আহিবাই—।
তুমি আহি থাকিবা বহাগ
প্ৰতিটো ঋতু, প্ৰতিটো ঋতুতে।

## নতুন জীৱনৰ আৱাহন

স্নাতক

*নতুন বছৰক আঁদৰণি জনোৱাৰ
বয়স যে এতিয়া নাই
সময়ৰ সোঁতত উটি গৈছে
সকলো আনন্দৰ উল্লাখে।
চকুলোৰে বব ধৰিছে হৃদয়ৰ ধাৰা
পুৰণি বছৰে যি দোষ-বেদনাৰ
মিঠা মিঠা চুমাৰে হিয়া
উপচোৱা দিনবোৰৰ কথা।
দিন-ৰাতি একাকাৰ কৰি
সিচিছোঁ মনৰ কঠিয়া
সিয়ো মৰহি যাবলৈ ধৰিছে
স্মৃতিৰ গৰ্ভত
মনতে পাতনি মেলিছো
নতুন জীৱনৰ
সিয়ো বিষাদে ৰিঙিয়াই মাতিছে
পুৰণি বছৰলৈ।*



# জীৱনৰ পাৰ লগা

অমল চন্দ্ৰ বড়ো
স্নাতক তৃতীয় বৰ্ষ

ন্তৰ ফুলৰপৰা
াৰে পিছৰেপৰা
াৰে দৰেই
হা মযো
নি দুখ

কেতিয়াবা
দুখৰ সলনি সুখ
[illegible]
তোমাৰ দৰেই
সুখ-দুখৰ বাটেদি
আগুৱাই যাবলৈ

ময়ত উশাহ লৱলৈ
মত অলপ হাঁহিবলৈ
জীৱনৰ চাকিয়ে.
াকে থাকিব জ্বলি।



# ৰাতি পুৱা

জোনতী নাথ
স্নাতক দ্বিতীয় বৰ্ষ

'হে ৰাতিপুৱা' আহা
তোমালৈ ৰৈ আছো মই,
মোৰ মনে উৰি যায়
তোমাক বিচাৰি।

ক'তনো আছা ৰৈ তুমি,
আহা ততালিকে লৰি।
পবিত্ৰ মলয়াৰ
সৈতে তুমি আহা,
তোমালৈ ৰৈ আছো মই

হৃদয়ৰ দুৱাৰ খুলি।
ৰাতি নৌ পুৱাওঁতে চাওঁ,
খিড়িকি মেলি
তুমি আহিছা বুলি।।




# জীৱন

*দুলাল শৰ্ম্মা*
প্ৰৱক্তা, অসমীয়া বিভাগ

কি কৰিছো নুসুধিবা
বস্তুত ভালেই আছো, জানা।
সিদিনা তুমিযে সুধিছিলা
'জীৱন'ৰ অৰ্থ
কওঁ ৰবা, শুনিবানে?
তুমিযে কৈছিলা মোৰ বয়সৰ কথা,
মোৰ বয়স মাত্ৰ একুৰি দহ
বৃদ্ধ পেঞ্চন ললো দিয়া -দুবাৰ
ককা আইতাই নাপালেও দুখ নাই।
মোৰ মনৰ খবৰ লবানে?
মানস সাগৰৰ উত্তাল তৰংগ ৰাজি
ৰৈ আছে সীমান্তৰ সিপাৰলৈ....
উত্তপ্ত অৰুনকো নুমুৱাব খোজে।
তোমাৰ গগনচুম্বী অট্টালিকাই সচকিত কৰিছে
মোৰ নয়ন যুগল।
ময়ো তোমাৰেই বাৰ্তাবাহক, অনুগামী ভাই
ই যে নিয়তিৰ বিধান।
মনত পৰেনে দুয়ো হাতে হাত ধৰি খোজ কঢ়া
মনৰ খিৰিকী খুলি পোহৰ অনা,
আঁউসীৰ আন্ধাৰত তোমাক তুলি ধৰা।
বহুদিন হ'ল সনাপিঠা বহু কথা
এতিয়া ৰৈ আছে মাথো তোমাৰেই কীৰ্ত্তিচিহ্ন(?)
কেতিয়াবা সময় হলে বিচাৰি লবানে
জীৱনৰ আচল অৰ্থ।

# অবুজ প্ৰেম

স্নাত

সচাঁকৈয়ে ভাল লাগে তোমাৰ
নিভাঁজ মিছিকীয়া হাঁহি
ভাল লাগে তোমাৰ
মৰম লগা মাত

যেন বাজি উঠা, বাঁ
মোৰ চকুত চকু থৈ
তোমাৰ মৰমত
কিয় জানো, প্ৰেমৰ
বাকি দিলা জীৱনৰ

হয়তু হ'ব পাৰে, মই এতিয়া
তোমাৰ অন্তৰত গজি উঠা
এজুপি অকৃত্ৰিম বনলতা
তুমিয়েই হ'বা মোৰ

শেষ ভটিবেলা।
ৰৈ থাকিম জীৱনৰ অন্তিম উ
গধুলিৰ সূৰ্য্যৰ দৰে
যদিহে নিদিয়া
তোমাৰ অনন্ত প্ৰেম আৰু ভা

# বহুদিনেই পাৰ হৈ গ'ল

*ৰুমা বসুমতাৰী*
স্নাতক প্ৰথম বৰ্ষ

বহুদিনেই পাৰ হৈ গ'ল
আপোনাৰ কোনো খা-খবৰে নাই,
দুচকুৰ পৰা আঁতৰি
আপুনি মোক পাহৰিলে নেকি?
অজানিতে কি ভুল কৰিলো মই
আপুনি যে মোক পাহৰিলে,
দুচকুৰ পৰা আঁতৰি
আশা কৰো আপুনি যেন ভালে আছে,
আপোনাৰ অনাগত দিনবোৰ যেন
সুখ-শান্তিৰে পাৰ হয়,
কি দৰে বুজাওঁ আপোনাক
পোনাৰ অবিহনে যে মই অকলশৰীয়া।



# পাহৰণি

*নমিতা কাকতি*
স্নাতক তৃতীয় বৰ্ষ

ইমানদিনৰ মৌনতা
এনে লগা নাছিলনে তোমাৰ
এটা এটাকৈ মৰি আহিছে যেন
এহেজাৰ এটা বিষন্ন গধুলিৰ আলাপ
এটা এটাকৈ সকলো কথা
কথাৰ শেষৰ ভাৱনা,
আৰু অলেখ দূৰ্ভাৱনা।
ময়ো তাকেই বিচাৰিছিলো
গৈ থকা দে'জাৰৰ দৰে বৈ যাওক
গৈ গৈ মিলি যাওক কালদিয়াত
আৰু এদিন জীৱনৰ অটল সমুদ্ৰত।
প্ৰতিদিন প্ৰতি ৰাতি
মই তোমাক পাহৰিব খুজিছিলো
বহুদিন মই তোমাৰ চকুযুৰি পাহৰিছিলো
ভাবিছিলো মই তোমাক পাহৰি পেলালো
বহুদিন মই তোমাৰ ওঠযুৰি পাহৰিছিলো
ভাবিছিলো মই তোমাক পাহৰি পেলালো
বহুদিন মই পাহৰি পেলাইছিলো
তোমাৰ ধুনীয়া নকটো
ভবিছিলো মই তোমাক পাহৰি পেলালো
পিছে পাহৰি যোৱা চকুযুৰিৰ
কোমল চাৱনিয়ে মোক খেদি ফুৰে ৰাতি
আৰু শুবলৈ নিদিয়ে পাহৰি ভূত হোৱা
নাকটোৰ তিলফুল দুপাহে।
ইমানকৈ পাহৰিও
আৰু পাহৰা নহ'ল।।

# এখনি জীৱন্ত প্ৰতিমা

মৃদুলা দেৱী
স্নাতক তৃতীয় বৰ্ষ

মোৰ কল্পিত মনৰ ঢৌৱে
উটুৱাই নিয়ে কিয়
এক অজান ভৱিষ্যতৰ
মধুৰ স্বপ্ন ৰচিবলে
সপোন সপোন লগা
ইটো নহয় মোৰ অলীক কল্পনা
চিৰসেউজীয়া আৰু চিৰবাস্তৱ
এখনি জীৱন্ত প্ৰতিমা
আশা আৰু নিৰাশাৰ মাজত
পোৱা আৰু নোপোৱাৰ বেদনাত
আগবাঢ়িছো ময়ো এক
অনাগত ভৱিষ্যতলে
কল্পিত মনৰ কল্পনা পুজিকে
বাস্তৱত ৰূপায়িত কৰিবলে
এতিয়া অন্য একো নাই
ময়ো বিচাৰিছো মই
তোমাৰ সহযোগ
পাৰিবানে তুমি সচায়ে
মোৰ অন্ধকাৰ ভৱিষ্যত পোহৰাবলে...?

# স্মৃতি

লক্ষ্মী
স্নাতক

কাৰ পৰশত মেলিলি পাহি
মূৰৰ ওৰণি আতৰাই
কিয় মাৰিছা হাঁহি তুমি
মোৰ হৃদয়ত সাঁচ বহুৱাই।।
এবাৰ ভবি চাইচানে বাৰু তুমি?
সৌ-সিদিনাৰ তোমাৰ মৰমে....
আজিও মোক আমনি কৰে।
দিঠকে সপোনে দেখো তোমাকে।
সচা অনুৰাগে কেচা মৰম সানে
মিচিকিয়া হাঁহিত গোলাপৰ কলিটি সৰে।
আজি উদুলি-মুদুলি ৰভাৰ তলি,
হঠাতে দেখিলো যে তোমাক আজি
ন-কইনাৰ সাজেৰে হোমৰ গুৰিত
ৰিঙা ৰিঙা লাগে মোৰ মন।
অশান্ত হৃদয়ত উৰ্মিমালা হয়
তথাপিও বুকুৰ উমেৰে ৰাখিছো যতনে
হৃদয়ৰ কোহে কোহে জীয়াই ৰাখিম তোম

(২০০৬-২০০৭ স্নাতক তৃতীয় বৰ্ষৰ মো
বান্ধৱী সকলৰ হাতত)।

# তুমি

*মিতালী বৈশ্য*
স্নাতক তৃতীয় বৰ্ষ

াসনা আবেলি
ত আজি
তামাৰেই প্ৰতিচ্ছবি,

তুমি যে মোৰ বাবে
কেতিয়াও, ইতিহাস নোহোৱা।
সংঘাতৰ সহস্ৰ প্ৰাচীৰ বেদি
জীৱনে খোজ পেলাই
ইন বাটত,

(বাবে) জাতিংগা নহয়
য় পৰিভ্ৰমী বিহঙ্গম।।



# মা তুমি অনন্যা

*ৰূপালি দেৱী*
স্নাতক প্ৰথম বৰ্ষ

মা তুমি অনন্যা
সুন্দৰ পৃথিৱীলৈ
তুমি আহিছিলা
অনিন্দ্য সুন্দৰী তুমি।
কৈছিলা বহু কথা
গোলাপ আৰু নাৰ্জি জবাৰ মাজত
সুবাসৰ সৈতে
পখিলাৰ পিছত দৌৰাৰ
অনাবিল আনন্দ।
মুল্যবোধৰ তুলাচনীৰে
ৰুচিবোধৰ মাপ কাঠিৰে
সমাজক সত্বাক
বুজিবলৈ কৰা প্ৰয়াসৰ
অহৰ্নিশ দ্বন্দ।
আৰু
শোকাতুৰ হৃদয়ক
সান্তনা প্ৰদানৰ
এক অভিনৱ
প্ৰস্তুতি পৰ্ব।
মা তুমি অনন্যা।
মা তুমি ৰত্ন গৰ্ভা।
মা তুমি অনন্যা।

## মৃত্যু

ৰমেন ৰাজবংশী
স্নাতক প্ৰথম বৰ্ষ

তুমি, যদিও হোৱা এক বিশাল নীৰৱতা।
তথাপি মানুহে ভয় কৰে তোমাক।
এৰা,
ভয় কৰিবইটো,
তুমিয়ে যে মানুহক অকলশৰীয়া কৰিছা।
তোমাৰ বাবেইটো আজি
কোনোবা নৱজাতক পিতৃহাৰা হ'ল,
কোনোৱা আকৌ মাতৃহাৰা হ'ল,
ন-কইনাৰ কপালৰ ফোঁট মোচা গ'ল,
মৃত্যু তোমাৰ বাবেইটো
আনৰপৰা এই লাঞ্চনা পাব লগা হৈছে,
তুমি নাশি, তুমি বিনাশিনী
এয়াইটো তোমাৰ নাম।
কি কাৰণে তুমি মানুহক তোমাৰ
বন্ধনৰ পৰা মুক্তি নিদিয়া?
মানুহক তোমাৰ সংগত
লৰলৈ তুমি কিয় বিচৰা.....।
এৰা,
কিয় বিচৰা।।

## মই তোমাৰ প্ৰেমত প...

স্নাতক...

তোমাক প্ৰথম দেখাৰ পৰা
তোমাৰ সৰমত উপণ্ডি ধুৰিছো,
তোমাৰ চাল-চলন ভাৱ-ভংগীবোৰ
মোৰ দুৰ্বাৰ আকৰ্ষণ।
তোমাৰ তুলকুলীয়া ওঠযুৰি
তোমাৰ সতে দেখা হোৱা
প্ৰথমটো দিনতে
মই নামৰ মোৰ সমস্ত সত্তাটোক
তোমাৰ দুবাহুত অৰ্পিত কৰিছো।
ইচ্ছা হ'লে তুমি ল'ব পাৰা আকোৱা...
অথবা লৈ যাব পাৰা
যলৈকে বিচৰা তালৈকে।
যদি নিব খোজা মৃত্যুৰ উপত্যকালৈ য...
মই
ইচ্ছা হ'লে ডুবাই দিব পাৰা
তোমাৰেই প্ৰেমৰ সাগৰত।
তোমাৰ বাবে
সমস্ত যন্ত্ৰনাই বহন কৰিব পাৰো মই।

# তুমি কেনে আছা

*তপন কুমাৰ শৰ্ম্মা*
**প্ৰৱক্তা, অসমীয়া বিভাগ**

ালে বাৰু
হালধীয়া ফুলপাহ
বাবেই নামটো পাহৰিছো নেকি?)
দেখো হালধীয়া,
া দিনত
িনৰ
ৱাৰ বেদনা
ি কেনে আছা?
লীত সেমেকা
হে
ৰকৈ মনত পেলাব।
হলাৰ বুকুত কুৰুৱাৰ বিননি
তামাৰ কুনকুননিবোৰ পাহৰিব নোৱাৰি
বাৰু
মৰুৱা ফুলাৰ দিন

আমাৰ বাবে
হুদুৰ....
ধৰুৱা তোমাৰ মোৰ
ঠি থোৱা কথাবোৰ
তে
খালে সময়ে,

নত পৰেনে
ন্দিৰৰ সমুখত

পেটে ককালে লগা কণমাণি এটা দেখি
তোমাৰ যে চকুলো ওলাইছিল,
তাৰ পিছত তুমি
ভাৱত বিভোৰ হৈছিলা....
(চাগে নোদোকা কণমাণি এটাৰ ভাৱত)
অস্তাচলৰ সূৰ্য্যাস্ত দেখি
তোমাৰ হুমুনিয়াহ সৰিছিল....
কিয়?
টুমনিৰ মন্ত্ৰমুগ্ধ পৰিবেশ নে
ভৱিষ্যতৰ নজনা দিনৰ কথা ভাবি...
মই তেতিয়া একোৱে বুজা নাছিলো
(যদি বুজি পালো হেতেন)
বাদ দিয়া সেইবোৰ কথা...
তুমি ভালপোৱা জোনটো
আজিও আছে
সদায়ে থাকিব হালধীয়া হৈ...
তুমি কেনে আছা মৃন্ময়ী?
নিৰ্জনতাৰ দ্বীপত মই বন্দী...
তাহানিও আৰু এতিয়াও
পাৰিলে এবাৰ আহিবাচোন
তোমাৰ নওলাৰ দাং ডাল
অলপ সময়ৰ বাবে মুকলি কৰি...
সকলো কম
সব কথাযে কবিতাৰে কব নোৱাৰি.....

# কেৱল সপোনৰ বাবে

*মমিতা নাথ*
স্নাতক দ্বিতীয় বৰ্ষ

অনুভৱে এদিন
কৈ গ'ল...
'সপোন তোমাৰ নহয়'
তেতিয়াৰ পৰা
অনুভূতিবোৰ শূণ্য
হৈ গ'ল।
সূৰ্যোদয়ৰ বাবে উন্মনা
হৈ থকা মনটোৱে এতিয়া
দোকমোকালিলৈও ভয় কৰে।
হঠাতে এদিন
নিঃসংগতাই ক'লে—
মোকেই আদৰি লোৱা।
তেতিয়াৰে পৰা
এটা প্ৰকাণ্ড শূণ্যৰ মাজত
এটি আলসুৱা মনে
চটফটাই থাকে
কেৱল নিঃসংগতাৰ যন্ত্ৰনাত।
এখন সেউজীয়া হৃদয়
হাহাকাৰ কৰে
কেৱল এটা সপোনৰ বাবে....।

# সুখ-দুখ

নয়নর...
স্না...

জীৱনত বিচৰা সুখবোৰ
দুখ ৰূপেৰে পালো,
সুখ বিচাৰি ভাগৰি
দুখকে সাৱটি ললো।
মলিন হ'ল মনৰ দাপোনখনি,
দুচকুৰ অশ্ৰু সৰি সৰি,
গঢ়ো কেনেকৈ ভগা হৃদয়
নাপাওঁ কাৰো সঁহাৰি।
কিনো হ'ব হাঁহি বিচাৰি
চকুলোৰো দামেই নাই,
সুখ বিচাৰি দেখোন
আছো দুখৰ গীত গাই,
অশ্ৰুৰ বিনিময়ত হাঁহি দিবা
দুখৰ বিনিময়ত সুখ দিবলৈ
আহে যদি কোনোবা
বিচাৰিলে মোক পাবা,
দূৰত নহয় আছো ওচৰতে

## াই নেকি স্বাধীনতা

ইংকুমণি ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

এয়াই নেকি স্বাধীনতা?
কিয় আজিৰ অসমীয়াই
স্বাধীনতাৰ পোছাক পিন্ধি
শাহ্ নিশাহ্ লবলৈ ভয় কৰে।
আজি স্বাধীনতাৰ পোছাক পিন্ধি
সমীয়া নাৰীয়ে থমকি আছে
গৰ্ভত সন্তান লৈ।
সমীয়াই আজিও পোৱা নাই
াধীনতাৰ শিকলীৰ পৰা মুক্তি
কিয় আজিৰ অসমীয়াই
কেচা মাটিৰ গোন্ধ লবলৈ এৰি
লব লগা হৈছে বাৰুদৰ
বিষাক্ত গোন্ধ
সমাজত দিনে দিনে বাঢ়িছে
হত্যা, হিংসা, লুণ্ঠন
দিনক দিনে বাঢ়িছে নিপীড়িত
জনতাৰ ক্ৰন্দন।
াহিব নেকি এটি দিন অসমীয়াৰ
সোণালী সপোনৰ
হয়তো আহিব..........
দিহে প্ৰতিগৰাকী দৈৱকী মাতৃয়ে
প্ৰসৱ কৰে অষ্টম সন্তানৰ
সেইদিনাই স্বদেশ স্বজাতি
আগুৱাই যাব
সেইদিনাই জন্ম হব পবিত্ৰ
অন্য এক অসম ভূমিৰ।

## মোৰ আশা

ৰাজেশ স্বৰ্গীয়াৰী
স্নাতক প্ৰথম বৰ্ষ

মোৰ যে কিমান আশা
তোমাক পাবলৈ
বুজিও নুবুজাৰ ভাওঁ ধৰা
মোৰ আশাৰ চাকি জ্বলাবলৈ
স্নিগ্ধ জোনাকৰ নিশা
কাঞ্চন গছৰ তলত বহি
ভাবো মাথো তোমাৰেই কথা
মলয়া বতাহজাকে দেহ মন দুৰপেলাই
দিয়ে মাথো তোমাৰেই বতৰা।।
কেতিয়াবা মন যায় মুক্ত আকাশত
চিঞৰি চিঞৰি কবলৈ
হৃদয়ৰ ভাষাৰে লিখা
সেই মৰমৰ কথাবোৰ।
কেতিয়াবা মন যায় তোমাক কবলৈ
যেন মই তোমাৰ তুমি মোৰ।।
জীৱনৰ প্ৰতিটো মুহূৰ্তলৈ আছো
তোমালৈ বুলি বাট চায়।
মাথো এয়াই নহয়
মৃত্যুৰ আগমুহূৰ্তলৈ আছো
মাথো তোমাৰ বাবে
এটি আশাৰ চাকি জ্বলাই।।

# মুখা

*মোজামিল হক*
প্ৰাক্তন আলোচনী সম্পাদক

দিনত নাহিবা তুমি
চন্দ্ৰোদয়ৰ পাছত হে পাম
তোমাক লগ
চিন্তা নকৰিবা তুমি
মোৰ অবয়ৱ সলাই লম
প্লাটিক চাৰ্জাৰিৰে।।
কিয়নো মোক চিনি নাপাব,
আৰু নিশাতে সলাই লম-
এশ হাজাৰ টকাৰে
কিন্তু
মানুহ বিলাকে যদি গম পায়-
মই লাজত মৰি যাম।।
কিয়নো
"মই" অন্য কোনো নহয়।।



# জীৱাশ্ম

মোৰ বিশ্বাস বৰ উজাৰি কি ৰং চাই
মইতো তোমাক এনেকৈ হেৰুৱাব কি
হে মোৰ জীৱনৰ সূৰ্য্য,
তোমাক হেৰুৱাৰ ভয়তে ফাকি দিছি
মোৰ হৃদয়ত উৎপন্ন হোৱা হাজাৰ উৰ্মিকো ব
যোৱাৰ আগতে ঘূৰাই নিদিলা কিয়
শতযুগৰ উজাগৰী নিশাৰ জীৱাশ্ম।

# English Section



# :ARLIER PHASE OF ECONOMIC PLANNING

*Yussuf Ahmed*
**Lecturer, Deptt. of Economics**

Jnemployment problem has been restricting the economic development since the start ningera in India. Till sixth five year plan one doesnot find any reference to long term 'ment policy with appropriate and bold approach to take the employment problem in ht manner. Though it was assumed that automatic improvement in unemployment would rom the economic growth, direct measures to eliminate employment were not preferred apprchension was that they would stowdown the economic growth by increasing con- on expenditure on one hand and decreasing the economic surplus on the other. For s emphasis was placed on cottage and agro-based industries and infrastructural projects rb the heavy burden of unemployment. But it was obviously inadequate to tackle the oyment problem and as a result the percentage of unemployment rose to about 22 n 1969.

nfluenced by the report of the International Labour organisation (ILO) on world Employ- ogramme, 4th Five year Ipan laid down an encouraging employment policies in late The policies stressed the integration of employment creation to economic develop- rough the maximum possibvle productive use of available labour to a ccelerate eco- rowth. The policies recommended by ILO in the 4th plan and accepted the need for comprchensive programmes for rural development, labour intensive public works mes, application of labour intensive technology in industries and promotion of labour industrial products for domestic and foreign market. However, in practice, the gov- did not deviate from its earlier policy, because inplementation of the innovative policy a fundamental change in investment planning.

major change in 5th five year plan was in conformity with the objective of redistrifutive nation growth because high priority was accorded to the removal of unemployment. five year plan also stressed on the selection of labour intInsive projects as a 4th plan. nning commission hoped that the development programmes of 5th plan would gener- employment opportunities. Planning commission asserted that major efforts would be made for generating self-employment opportunities and not merely wage employ- uld solve the problems. Thus, 5th five year plan identified some specific area and of rural development having large employment potential, Such as small Farmers nent Agencies (SFDA), The marginal farmers and Agricultural Labour Development (MEAL) and drought prone area programme (DPAP).



# INDIA IN BEIJING OLYMPIC, 2008

*Chandra Dha*
T.D.C. 2

The opening ceremony of the Beijing, 2008 Olympic games was held on Fri
August. It was celebrated with a splendor show for the three and a half hour which
nessed by a capacity crowd of 91,000 people. The ever memorable and the attrac
dium, where the opening ceremony of the Olympic Games was held, was "The Bir
Stadium". According to the Chinese belief, that number eight is auspicious for them.
Chinese authority of the Olympic choiced to hold the opening ceremony on 08-08-2
pm. (local time of China). In the opening ceremony, the theme song of China was
China's Liu Huan and Sarah Bright man from Britain.

In the opening ceremony, all Indian's eyes were fixed at the Indian conting
Indians were fully hopeful of a great success. The Indian contingent was led by Athe
medallist Rajyavardhan Singh Rathore. He was bearing the Indian National Flag pro
respectfully. It is really a matter of proud to show the Nation's glory before the a
community. On that day the Indian players were very attractive with Indian cultural dr

On the first day of the Olympic Games, Indian shooters Anjali Bhagwat, Avn
Sidhu and Samresh Jung failed to fire their way into finals of their respective individu
And, Indian women archers Bombayla Devi, Dola Banerjee and Pranitha got a bye i
round.


Indian tennis ace, Sania Mirza was forced to retire herself with tearfull through
ing round match against Czech Iveta Benesova for she was suffering from a right w
Sania Mirza and Sunitha Rao could not proceed beyond the second round of the
doubles Tennis event. Badminton players Anup Sridhar was beaten by Shoji Sato o
the second round and Sania Nehwal was beaten by Maria Kristin Yuliantic of Indon
quarter final. On the other hand, Leander Paes and Mahesh Bhupathi could not go ah
men's doubles quarter final. It was unfortunate for the Indians that Athens Olympics s
allist shooter Rajyavardhan Singh Rathore failed even in the qualifying round. Un
Indian Boxer, Akhil Kumar was defeated in the quarterfinal. Athlete, Anju Bobby
performunce was despaired.

wevèr, it is proud for India that she earn one gold medal and two bronze medals. At g Games, the Indian shooter Abhinav Bindra scored the highest point in the 10 metre /ent and won the gold medal. It is the first Indian's gold medal in individual event after ing in the Olympics for 108 years. Abhinav ended the Indian's 28 years old gold nce the hockky team fetched gold in the Moscow Olympics in 1980. The two other /inners were Sushil Kumar and Vijendra Kumar. Wrestler, Sushil Kumar had to beat win the bronze in the men's 66 kg. freestyle category. While boxer Vijendra Kumar ecting to win the gold in boxing arena, but he lost in the semifinal. Subsequently, he bronze medal. In the boxing event, it is the India's first bronze medal won by Vijendra ic.

owever, India had to be content with one gold, and two bronze medals. With this nents, the Indian players ended its Olympic campaign at Beijing Olympic, 2008. But evements, I wish, may inspire the other Indian players. I am proud of this achieve- hope a better performance from our Indian players at London Olympic, 2012.

eferences : The Assam Tribune)





## SEEKING PEACE

*Mantu Ram Baro*
T.D.C. 1st year

*Peace is the ladder of development*
*Stop the struggle,*
*It's the time to build nation*
*Not time to fight.*
*Don't spoil our sky*
*With the smoke of gun,*
*Don't spoil our Earth*
*With the human blood.*
*We are all equal human*
*Peaceful living is our right,*
*Live peacefully and*
*Let us live peacefully.*

## A LITTLE ST



*Rekibu*
B.

*During the Season of winter,*
*A little star is blooming in the sky,*
*It is seen like a flower;*
*To enjoy all of us forever;*
*It inspires us to sing a good song,*
*It teaches us to become a great monk,*
*It lessons us to be a brave,*
*It encourages us to work for the save*
*The sky is seen very clean,*
*All the substances were dazzling like a*
*Suddenly, the star disappears from the*
*All the ambition scatters infront of eye,*
*The star never comes again;*
*But it remembers us not to remain und*

# বড়ো কিতাব

## आं मोजां मीनी

*Amal Ch. Baro*
T.D.C. 3rd year

नो नाजानाय
आं मोजां मोनो।
नो नाजानाय
आं मोजां मोनो।
नी नाजानाय
आं मोजां मोनो।
जिनो?
जिनो?
दि मोनसे गोरलै जिउ दङ
य आं मोजां मोनो।

## मोजां मोननाय

*मिथुन दैमारी*
बि.ए. सेथि बोसोर

आं नोंखौ,
बेखेवना बुङब्लाबो
नुनानै,
नोंनि निन फैया।
जिनानैबो बुजियैनि फवथिना
बा मोनसे मोजां मोनो।

## अनजालि

*Balen Boro*
T.D.C. 2nd year

नुदोंमोन, आं मोनसे सिमां
नों अनजालिखौ गोसोखांनानै,
गोसोआव मानिबा
रंजानाय लानानै
नोंखौनो अराय
मोनगोन साननानै।
आंनि बे मोजोमसे जीउ सोलेराव
आंदि नोंखौ बेसे मोजां मोनो,
बेसे गोसो थोयो।
नोजोरा आंनि नोनि महरावल'।
गोसीआ आंनि नोंजों ल।
गोसी खाडी आं
नोंखौनो अराय,
जानाय-लोंनाय, उन्दुनाय,
लामा-सामा हान्थिनाय।
उन्दुनाय गौया, जिरायनाय गैया
नों अनजालिखौ गोसो खांनानै।

# आस' खान्द्रा बे जिउआ

*Rojee Swargiary*
T.D.C. 1st year

जोनोम मोननबाय बे मुलुग सेसाराव,
गसाइनि सोरजि हरनाय नायजाब थिलियाव
अनसुलि बिमानि गोर्बोनिफ्राय।
फेदेरबाय, फोरोंबाय बिमाया
बुहां-बामहां थाम्फै अरसि-अरसि
फिसाखौ लानानै बेसेबांबा मिजिं
गोसोआव दीनखार्दों थफ्ला जुनानै।
नाथाय आस' खान्दा बे जिउआ,
बैथा गैयै जिउ दिक्षया बुखार जाबाय
गिथाव-बाथाव लैथोमानि बिखायाव।
आय' मिथिस' मोनासै लिमिन्द्र-संसारखौ,
गोसोआव बेरखां फैदों खनले-खनले
जौमोन बैसोनि बै गिलु-बालु बारहुंखाखौ,
उन दाहानि अराव गोसो मोदोम खामग्लिदों।
गोसोयाव गैयाब्ला
सहायनाय, हासथायनाय आरो दिदोम थांखि
जायो जिउआ आसखान्द्रा।
उह दिनैसो मोन्थिदों...
थांखि गैयै जिउआ अराय फेलें
गोसोआव बेरखांफैदों उन दाहानि सानबोलाउरि
आस खान्दा बे जिउआ।।

# बैसागो नों फैबाय

Gitanj...
T.D.C. ...

माब्ला फैगोन नों बैसागो?
अनसुला रजेआ फैगोन बुंलादों
नोंखौ (बैसागो) नेयै, नेयैनो
गोदाव सोराव जाबाय गोसोआ।
सम मोनोब्लानो नायो,
गावनिनो आखाइजों दानाय
रजे फालिखौ।
बेसेदि जोथोनै दोनदों,
मिजिं आंनि रजेनि गोदोनायाव गानहोनो
थारैनो समा थाङो खोन्दो-खोन्दो
बोथोरा थाङो हालो -दैलो,
गावनिनो समायना महरखौ लानानै
सुबुंनि गोसोखौ रंजा होनानै,
फैमारसिगोन बैसागो बोथोरा।
मिथिंगानि महरा सोलायबाय
बिफां लायफाडव बिलाय खिलिबाय,
बारदै-सिरवोला सफैबाय,
दाउ खौओआबो रादाब होफैबाय।
अनसुला रजेआबो सफैमारसिगोन
बैसागो नों फैबाय।

## उदांस्रि

*Sunil Daimary*
T.D.C. 1st year

गोमो थाव नोंलाय,
ाखोर दाला जाजुबग्रा
रबा मोदायजोसो?
रों गोराफोरखौ मुंख्लखालमग्रा।
वाय सुबुंहा एसेबां नाजायो
रायस्लाबा जास्लाबा मेंनाय गैया, गिनाय.
ो लाखिनो थाखाय।
र सुबुंफोरा सोर्गोआरि जाजुबबाय
ासि फिसा गारनानै
ो लाखिनो थाखाय।
आरो नाजाबावगोन
ो आरो थैबावगोन
थानो हानो जोंनि बिग्रायनायखौ
लाखि थारगोनजों मुंखौ।

## सोर जाखो नों?

*Kunja Baro*
T.D.C. 1st year

सोर जाखो नों?
बबेनि जखो नों?
समाया मदरा,
सिनाया ह सिया,
लामा दथानि
थाबाय लांनाय
लाइमोन सिखलाफोरखौ
जंखाइ बायनाय.
सोर नों?
दुथां थिफुदला,
जांगिला सेंग्रा,
आदै मद' द'
बिखा फोरदान
हासा ना बड़
सिनायनो हायासै।
नुनायाव मानसिखौ माथो,
हारसा बायदिसो नुर्दो।
नाथाय,
मानसिया जंखायनायखौ
बड़ रावजोंसो
जंखायदों माथो।

# हांमा दा'था

मुस्थ्रि समबार कुमार बर
T.D.C. 1st year

गासे लाइजाम,
लिरनो सान्दोंमोन गोसोनि अनजालिनो
उसु-खुथु गोसोजों
गीबाव समनिफ्रायनी।
नोंनि थाखै लाइजाम
लिरनो हायैया गोबाव
सम जाबाय रजे।
बेनि थाखै गाग्रि दामोन।
दाहा टाखालाम
नों रजे।
जोनोम हादोरखौ
रैखा खालामनो थांनायाव
सुथुरनि गुलियाव जिउआ आंनि गोमोरहां जाबाय।
दाउहारु जिउ लामाजों हान्थिनानै
सम भोनाखै नोंनिसिम
गोथार लाइजाम लिरनी।
बेखायनो गुलि नाँनाय आखायजोंनी
शमफि शमफि लिरबाय आं
नोंनिसिम जोबथा लाइजाल।
नोंनि आंनि गोथार मोजां मोन्नाय
आंखौ फिसाइ महरै मोनाब्लाबो
गोरोन्थि दासान
नों रजे।
होमा दाथा दुखु दाथा
नायफैगोन रजे नोंखौ
जोंथि महर लानानै
सान्दुं, हाथरखि, अखाफोर
महरै अराय।

# अखा

मि...
ब्रि.ए. सें...

अखा, .....,
गोसोथोनायनि जाखिसे प्रि-प्रि अखाया
आंखौ दलामैनी फिसिलांबाय।
बे फ्रि-फ्रि आखाया,
आंनि सोलेरनि गुदुं-गुदुं
खुरख-खुरख हाबबोबाय
आरो अखानि मोनफ्रीमबो थरथिब्ला
गोरबो इसिङाव दोहौ थिखांफैबाय।
गोसोथोनायनि प्रि-फ्रि अखायाव
फै नोंबो खेबसे सिजाफै
आंजों लोगोसे।
जाबादि आं हारसिडैनो सिजाबाय दं
आरो सिजायै -सिजायैनो जों सानैजों
गोजाव लांनिफै अननायनि निजोरायाव।
जरासे जारुबायै मेथखानि दाखा जानानै
जानोबा हायोनो खोमा होलांनो जोलै
गोरबो आबुं गोसोथोनायनि फिसाख'आ...
मोजां मोननायनि सोमखोर खोथियानि।

# सिखिरि

*Ranu Daimary*
T.D.C. 1st year

ना, बेसे रमायना,
हां बिबार बारिआव,
गेले फैयो।
न? थायो नों बबाव?
सुलि बिमा बिफाया थायो बहा?
ां गावनि, हानजा हानजा फैयो
रियाव, बिबार नि बिदै सोबनो।
गेले फैनानै
गोदै बिदै सोबफैयो।
थाव नोंनि बै गां फारनैया
रमायना, नायबाय थाथावथाव।
मोनथियोमोनब्ला थांगौमीन आं नोंजों,
ा बिफाखौ नायहै गौमोन।
रखौ नुयोब्ला आंनि गोसोआ
नानै थांनी गोसो जायो।।

# खन्थाय:
## आं सासे बर' सिखला

*Gitanjali Baro*
T.D.C. 1st year

आं सासे बर' सिखला,
सिबिगोन अराय बर' हारि।
फोथांना लाखिनो नाजागोन हारिमुखौ,
बापदि गाबनि गान्नाय जोमनायजों।
आंनि आखाइजो दानाय आरंनाय फालिजों
बरायहगोन बर जोहोलावफोरखौ।
गावनि हारिनि गान्नाय जोमनायजी
गावखौनो बर सिखला होननानै।
सिनयथि होनी ना जालांगीन
मेंनो रोङा मावनाय दांनायव,
जेन्नो रोङा दानाय लुनायाव,
फैदो-फै बर' हारिलि गासै सिरलाफोर
फोथांना लाखिनी,
बर' हारिनि आसार खान्थि.
आं सासे बर' सिखला।

# কেইটামান জানিবলগীয়া দিৱস

সংগ্ৰহ

স্নাতক

১০ জানুৱাৰী ঃ বিশ্ব হাঁহি দিৱস
১২ জানুৱাৰী ঃ ৰাষ্ট্ৰীয় যুৱ দিৱস
১৭ জানুৱাৰী ঃ শিল্পী দিৱস
২৬ জানুৱাৰী ঃ গণতন্ত্ৰ দিৱস
২৮ ফেব্ৰুৱাৰী ঃ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস
৮ মাৰ্চ ঃ বিশ্ব নাৰী দিৱস
২২ এপ্ৰিল ঃ বিশ্ব জল দিৱস
৭ এপ্ৰিল ঃ বিশ্ব স্বাস্থ্য দিৱস
১ মে' ঃ বিশ্ব শ্ৰমিক দিৱস
৮ মে' ঃ ৰেডক্ৰছ দিৱস
১ জুলাই ঃ চিকিৎসক দিৱস
১১ জুলাই ঃ বিশ্ব জনসংখ্যা দিৱস
১৫ আগষ্ট ঃ স্বাধীনতা দিৱস
২৯ আগষ্ট ঃ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস
৫ চেপ্তেম্বৰ ঃ শিক্ষক দিৱস
৮ চেপ্তেম্বৰ ঃ বিশ্ব সাক্ষৰতা দিৱস
২ অক্টোবৰ ঃ গান্ধী জয়ন্তী
৮ অক্টোবৰ ঃ বায়ু সেনা দিৱস
১৬ অক্টোবৰ ঃ বিশ্ব খাদ্য দিৱস
১১ নবেম্বৰ ঃ ৰাষ্ট্ৰীয় ফাইলেৰিয়া দিৱস
১৪ নবেম্বৰ ঃ শিশু দিৱস
১৯ নবেম্বৰ ঃ নাগৰিক দিৱস
১ ডিচেম্বৰ ঃ বিশ্ব এইড্‌ছ দিৱস
৪ ডিচেম্বৰ ঃ নৌ সেনা দিৱস
১০ ডিচেম্বৰ ঃ মানৱ অধিকাৰ দিৱস
২৩ ডিচেম্বৰ ঃ কৃষক দিৱস

## কুইজ

সংগ্ৰহ ঃ

স্নাতক

(১) কম্পিউটাৰৰ সহায়ত ছপা হোৱা প্ৰথম অসমীয়া কিতাপ খনৰ নাম আৰু লেখকগৰাকীৰ না
(২) "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ"— কীৰ্ত্তনৰ এই পদ ফাঁকি গাই কোনে শেষ নিশ্বাস পেলাই
(৩) ভাৰতৰ কি বিখ্যাত স্মৃতি চিহ্নৰ ওপৰেদি উৰাজাহাজুৰিবলৈ দিয়া নহয় ?
(৪) বৰ্তমান সমগ্ৰ বিশ্বতে আতংকৰ সৃষ্টি কৰা মাৰাত্মক ব্যধিটোৰ নাম হ'ল এইডছ (AIDS), আক্ৰান্ত বিশ্বৰ প্ৰথম ৰোগী গৰাকীৰ নাম কি ?
(৫) এনে এখন ঠাই আছে য'ত অধিবাসী সকলে শুহুৰি বজাই, আকাৰে-ইংগিতে কথা বতৰা কয় নাম কি ?

উত্তৰ সমূহ ঃ

(১) 'প্ৰেমত পৰিলো নেকি'। ড° দিলীপ কুমাৰ দত্ত। (২) বীৰ শ্বহীদ কুশল কোঁৱৰে। (৩) তাজমহলৰ ওপৰেদি (৪) ডেভিড্‌ কাৰ (৫) কানাৰী দীপপুঞ্জৰ অধিবাসী সকলে।

# মহৎ লোকৰ বাণী

ৰাণু দৈমাৰী
স্নাতক প্ৰথম বৰ্ষ

াপকাৰেই পুণ্য আৰু পৰৰ ওপৰত অত্যাচাৰেই পাপ।
বেদ ব্যাস।

মে দোষ বিচাৰে, মধ্যজনে দোষ, গুণ আৰু উত্তম জনে কেৱল গুণহে বিচাৰে।
প্লেটো।

ক সকল জন্মদাতা পিতৃ-মাতৃতকৈ বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে, জীৱন ৰ প্ৰণালী শিক্ষকেহে নিৰূপন কৰে.
এৰিষ্টটল।

ৱীৰ আটাইতকৈ সহজ কামটো হ'ল আনক সমালোচনা কৰা আৰু আটাইতকৈ টান কামটো হ'ল নিজক শাধন কৰা।
হেম বৰুৱা।

ক এজন এডাল মমবাতিৰ দৰে, নিজে গলি আনক পোহৰ দিয়ে।
সুভাষ চন্দ্ৰ বসু।

-পঢ়া শিকি কেৱল নিজে শিক্ষিত হলেই নহব, নিজে পোৱা শিক্ষাৰ মহান আদৰ্শ আনকো বিলাই দিব ব।
ভল্টেয়াৰ।

মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিব জানিলেই হ'ল।
তুলসী দাস।

নে নিজকে জ্ঞানীলোক বুলি ভাবে তেওঁতকৈ মুৰ্খলোক পৃথিৱীত দ্বিতীয়জন নাই।
ভল্টেয়াৰ।

া নিচিন্তাকৈ কোনো প্ৰতিশ্ৰুতি নিদিবা। এবাৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছত জীৱন দি হলেও তাক ৰক্ষা া।
মহাত্মা গান্ধী।

জৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।
নেপোলিয়ন।




মহাবিদ্যালয়ৰ প্ৰৱক্তা আৰু কৰ্মচাৰী বৃন্দৰ একাংশ



## ইং ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া

ফালৰ পৰা) ঃ শ্ৰীঅম্বিকা প্ৰসাদ বড়ো (সম্পাদক, আলোচনী বিভাগ), শ্ৰীগিৰিধৰ শৰ্ম্মা (সভাপতি), শ্ৰীঅমল চন্দ্ৰ ড়া (সাধাৰণ সম্পাদক),

ওঁফালৰ পৰা ) ঃ শ্ৰীৰাজকুমাৰ নাথ (সম্পাদক, ছাত্ৰ জিৰণী কোঠা), মহঃ খাইৰুল আলী (জুন) (সম্পাদক, কৃতিক বিভাগ), শ্ৰীসমৰজ্যোতি কলিতা (দুল) (সম্পাদক, খেল বিভাগ), শ্ৰীঅৰূপ ডেকা (উপ-সভাপতি) াত অনুপস্থিত মিছ গোলেষ্টাৰ বেগম (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা)




পাতিদৰং মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিৰ একাংশ

বহি (বাওঁফালৰ পৰা ) ঃ শ্ৰীদুলাল শৰ্মা (সদস্য), শ্ৰীযুত গিৰিধৰ শৰ্মা (উপদেষ্টা), মহঃ মুকুটৰ ৰহমান (সদস্য)
য় হৈ (বাওঁফালৰ পৰা) ঃ শ্ৰীঅমল চন্দ্ৰ বড়ো (সদস্য), শ্ৰীঅম্বিকা প্ৰসাদ বড়ো (সম্পাদক), শ্ৰীঅৰূপ ডেকা (সদস্য)



সম্পাদনা সমিতিৰ বাকী অংশ

শ্ৰীকল্পনা বসুমতাৰী (সদস্যা), শ্ৰীতপন কুমাৰ শৰ্মা (তত্ত্বাবধায়ক)



শ্ৰীঅখিল ডেকা

২০০৭-২০০৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ ক্ৰিকেট খেলুৱৈ

# উপ-সভাপতিৰ প্ৰতিবেদন



জয় জয়তে যি সকল মহান ব্যক্তিৰ স্বাৰ্থত এই পাতিদৰং মহাবিদ্যালয়খন জাকত
হৈ উঠিল, সেই সকল পৰম শ্ৰদ্ধাৰ ব্যক্তিলৈ মোৰ তৰফৰ পৰা সশ্ৰদ্ধা প্ৰণাম জনাইছো। পাতিদৰং
ালয়ত যি সকল ছাত্ৰ-ছাত্ৰীৰ অকাল বিয়োগে পাতিদৰং মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গক কন্দুৱাই যোৱা
কলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদিছো। যি সকল মহান ব্যক্তিৰ শ্ৰম, ত্যাগ আৰু অক্লান্ত প্ৰচেষ্টাৰ
তিত মুক্তাপুৰৰ লোচ অঞ্চলৰ এক মাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পাতিদৰং মহাবিদ্যালয়খনে ১৯৮৯ চনৰ
গষ্টৰ জন্মৰে পৰা বৰ্তমানৰ অৱস্থা পালে সেই সকল নিঃস্বাৰ্থ সমাজসেৱকৰ ওচৰত নতঃসিৰ হৈ ৰলো।

প্ৰতিবেদনৰ দোকমোকালিতে পাতিদৰং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় তথা সন্মানীয় ছাৰ
উ সকল আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ তৰফৰ পৰা আন্তৰিক হিয়া ভৰা
স্নেহ তথা অভিনন্দন জ্ঞাপন কৰিছো। ইং ২০০৭-০৮ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি
া মূৰ পাতি লওঁ। যিটো সময়ত নানান সমস্যাৰে জৰ্জৰিত অসম। যেনে গুপ্ত হত্যা, হিংসা, চুৰি-ডকাইতি,
গত সংঘৰ্ষই শিক্ষাৰ ক্ষেত্ৰত ব্যাপক খেলিমেলিৰ সৃষ্টি কৰিছে। সৌসিদিনা দৰং, মঙ্গলদৈ অঞ্চলত
গোষ্ঠীগত সংঘৰ্ষই গোটেই অসম তথা পাতিদৰং অঞ্চলকে কপাই তোলা এক নিৰ্মম উদাহৰণ। এনেকুৱা
া অশান্তিয়ে ছাত্ৰ সমাজত ব্যাপক উদ্বিগ্নতাৰছাঁ পেলাইছে যদিওঁ এই বাধাক নেওচা দি আজিৰ গতানুগতিক
গ্ৰহণ কৰি বৰ্তমান প্ৰতিযোগিতাৰ দিনত এক অনিশ্চয়তা ভৱিষ্যতৰ প[illegible] আমাৰ ছাত্ৰ-ছাত্ৰী সকল
বাঢ়ি গৈ আছে। অসমৰ শৈক্ষিক পৰিবেশ পুনৰ উজ্জীৱিত কৰাৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ
গুৰু কৰ্তৃপক্ষ সমূহৰ লগতে ঘৰৰ অভিভাৱক সকলৰ দায়িত্ব অপৰিসীম।

মই উপ-সভাপতিৰ দায়িত্ব লৈ কেইবাটাও কাৰ্য্যসূচী চলাই নিব লগীয়া হয় যদিও তাৰ ভিতৰতে খেল
হ অনুষ্ঠান আৰু বঁটা বিতৰণি সভা, শিক্ষামূলক ভ্ৰমণ হিচাপে ওঁম চিয়াংলৈ যোৱা, কেইবাখনো সাধাৰণ
, মিলাদ-এ-মেহফিল, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন সাধাৰণ সভা শিক্ষক
স, স্বৰস্বতী পূজা আৰু পাতিদৰং মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা। পাতিদৰং মহাবিদ্যালয়ৰ বহুতো
াৰ অভিযোগৰ মাজত বিশেষকৈ আৰ্থিক অভাৱে অনুষ্ঠান খনৰ কিছুমান কাম কাজত বাধাৰ সৃষ্টি কৰিছিল
ও মহাবিদ্যালয়খনৰ অনুষ্ঠান সমূহ অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, ছাৰ-বাইদেউ তথা মহাবিদ্যালয়
ৰ্পক্ষৰহ কৰ্মচাৰী সকলৰ পৰা পোৱা সহায় সহযোগিতাৰ ফলত হেলাৰঙে এই বাধা অতিক্ৰম কৰিব পাৰিছো।
ই চেগতে এই সকল ব্যক্তিলৈ মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত
ভিন্ন দিশত সহায় সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা পাতিদৰং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ

শ্ৰীযুত গিৰিধৰ শৰ্মা ছাৰ, অসমীয়া বিভাগৰ প্ৰৱক্তাদ্বয় শ্ৰীযুত দুলাল শৰ্মা ছাৰ, শ্ৰীযুত ত
ৰাজনীতি বিভাগৰ প্ৰৱক্তাদ্বয় শ্ৰীযুত দ্বীপেন শৰ্মা ছাৰ, মহঃ আব্দুল ৰছিদ ছাৰ, ইংৰাজী বিভাগৰ
মুকুটৰ ৰহমান ছাৰ আৰু অন্যান্য শিক্ষা গুৰু সকল আৰু মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকল
বড়ো, আব্দুল গফফাৰ (বাহুল), অখিল ডেকা, অৰূপ শৰ্মা, ৰাজা, খাইৰুল ইছলাম, চুনিতা কা
নাহৰ (জুৰি), মিতালী বৈশ্য, মৃদুলা দেৱী, জয়শ্ৰী ডেকা, মানসী পাটোৱাৰী, গগন ডেকা, সম
অম্বিকা, ৰিয়াজুল, ৰাজেশ, কুলেন, লক্ষ্যধৰ চৌধুৰী, নৃপেন, প্ৰাণজিৎ, ৰিংকু, জোনালী, ৰি
মহাবিদ্যালয়ৰ ছাৰ বাইদেউ সকল আৰু বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী বৃন্দ।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময় ছোৱাত অজানিতে হৈ যোৱা ভুল-ত্ৰুটি আৰু প্ৰতি
চ'ৰাত বৈ যোৱা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ। পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাংগীন
উজ্জ্বল ভৱিষ্যত উন্নতি কামনা কৰি ছাৰ-বাইদেউৰ লগতে বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ
মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰি সকলোৰে সু-স্বাস্থ্য কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি

জয়তু পাতিদৰং মহাবিদ্যালয়
জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীজ
উপ
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ এ
২০০৭-

# সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন



"লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা
তুমিয়েটো বুকু পাতি দিলা,
ভাৰতীৰ নুমলী জীক বচাবলে
তুমিয়েটো মৃত্যু বৰিলা।
শ্বহীদ প্ৰণামো তোমাক, শ্বহীদ প্ৰণামো তোমাক।"

প্ৰতিবেদনৰ আৰম্ভণিতে ড০ ভূপেন হাজৰিকাদেৰৰ গীতৰ ভাষাৰে ময়ো আজি সেইসকল মহান বীৰ-াক শ্ৰদ্ধাৰে সোঁৱৰিছো, যি সকলে দেশ আৰু স্বজাতিৰ হকে বুকু পাতি দিছিল।

হে শ্বহীদ প্ৰণমো তোমাক।"

লগতে প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰে শলাগ লৈছো সেইসকল ব্যক্তিক যিসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু বিনিময়ত জন্ম হৈছিল "পাতিদৰং মহাবিদ্যালয়।"

১৯৮৯ চনৰ ৩১ আগষ্ট তাৰিখে বাইজৰ সৃষ্টিশীল চিন্তা-চৰ্চা আশাসুধিয়া প্ৰচেষ্টা আৰু ত্যাগৰ ফলশ্ৰুতিত (মুক্তাপুৰ) লোচ গাঁৱত প্ৰাণ পাই উঠিছিল মানুহ গঢ়াৰ উচ্চ শিক্ষানুষ্ঠান "পাতিদৰং মহাবিদ্যালয়"। দ্যালয়খনে জন্ম লগ্নৰে পৰা আজিৰ তাৰিখলৈ বৌদ্ধিক ক্ষেত্ৰখনত আগবঢ়াই অহা অনবদ্য অৰদান কাৰ্য। বিগত বিংশতম বছৰে মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলক বিলাই আহিছে শিক্ষাৰ পোহৰ। যি পোহৰত আলোকিত হয় সমাজ, জাতি, ভাষা, সংস্কৃতি। নসত্ৰ (মুক্তাপুৰ) লোচ অঞ্চলৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক মানুহ হোৱাৰ পাঠ পঢ়াই, সামাজিক দ্ধতা, শৃংখলাবদ্ধতা, সত্যবাদিতা, আত্মনিৰ্ভৰশীলতা সম্পৰ্কে জ্ঞান প্ৰদান কৰি শিক্ষাগুৰু সকলৰ পৰা প্ৰচেষ্টা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আন্তৰিক সহযোগিতাৰ ফলস্বৰূপে আজিৰ তাৰিখত "পাতিদৰং দ্যালয়' ঠন ধৰি উঠিছে। যিটো সমগ্ৰ নসত্ৰ (মুক্তাপুৰ) লোচবাসীৰ বাবে গৌৰৱ।

কিন্তু দুৰ্ভাগ্যজনক বিষয় "পাতিদৰং মহাবিদ্যালয়"খন নানা সমস্যা তথা অভাৱ অভিযোগৰ পৰা াও সম্পূৰ্ণ মুক্ত নহয়। ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত শিক্ষাৰ পাৰিবেশ দিবলৈ এতিয়াও বহুখিনি কৰণীয় । সুস্থ শৈক্ষিক পৰিবেশৰ মাজতহে ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যৎ সুৰক্ষিত হ'ব।

এনেবোৰ কথা উপলব্ধি কৰি এজন ছাত্ৰ হিচাপে মন মেলিছিলো মহাবিদ্যালয়ৰ কিবা এটা কৰা মানসেৰে।

"তুমি যদি পাহাৰৰ বুকুত দেৱদাৰু হব নোৱাৰা তেন্তে হৈ উঠা উপত্যকাৰ কোনো জোপোহা,
যদি জোপোহাও হব নোৱাৰা

তেন্তে হৈ উঠা এমুঠি ঘাঁহ।
যদি দলপতি হৈ উঠিব নোৱাৰা
হৈ উঠা সেনা,
যদি ৰাজপথ হৈ উঠিব নোৱাৰা
হৈ উঠা সৰু পথ।”

— কবি “ডগ

প্ৰিয় ছাত্ৰ-ছাত্ৰীবৃন্দ,

ময়ো এজন ছাত্ৰ হিচাপে সামাজিক বিকাশৰ সপোন দেখি ছাত্ৰ-ছাত্ৰীসকলৰ অ ভাৱ অভি সমাধানৰ বাবে এক বলিষ্ঠ পদক্ষেপ লোৱাৰ মানসিকতাৰে অৱতীৰ্ণ হৈছিলো ২০০৭ -২০০৮ ইং চল মহাবিদ্যাল ছাত্ৰ সন্থাৰ সধাৰণ নিৰ্বাচনত। উক্ত নিৰ্বাচনত মোক আপোনালোকে সাধাৰণ সম্প বিপুল ভোটত জয়ী কৰালে। যিটো মোৰ বাবে এটা ডাঙৰ অভিজ্ঞতা। এইখিনিতে মই সমূহ ছা জনালোঁ আন্তৰিক শুবেচ্ছা। স্কুলীয়া পৰিবেশত সামূহিক কাম-কাজ কৰা কিচু অভিজ্ঞতা আ মহাবিদ্যালয়ৰ এখন বহল ক্ষেত্ৰত সাধাৰণ সম্পাদকৰ নিচিনা গুৰু দায়িত্ব বহন কৰি পদ মৰ্য্যদা অ সফল হব পাৰিম নে নাই ভবি শংকিত হৈছিলো। তথাপিও শিক্ষাগুৰু সকলৰ আশীৰ্বাদ, ছাত্ৰ-ছা আন্তৰিক সহযোগিতা আৰু পাতিদৰং আঞ্চলিক বড়ো ছাত্ৰ সন্থাৰ অনুপ্ৰেৰণা বুকুত বান্ধি আগবাঢ়ি ক্ষেত্ৰলৈ।

এইখিনিতে মোৰ কাৰ্য কালৰ চমু খতিয়ান দাঙি ধৰা হ'ল—

কাৰ্যভাৰ গ্ৰহণ ঃ- ইংৰাজী ১০-১২-২০০৭ তাৰিখে ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত মহাবিদ্যাল মাননীয় শ্ৰীগিৰিধৰ শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত পাতিদৰং মহাবিদ্যালয় ছাত্ৰ নিৰ্বাচিত সম্পাদক / সম্পাদিকা সকলৰ সৈতে কাৰ্যভাৰ গ্ৰহণ কৰি নিষ্ঠা আৰু সততাৰে দায়িত্ব পা গ্ৰহণ কৰো।

মহাবিদ্যাল সপ্তাহ ঃ- মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে ইংৰাজী ৭, ৮, ৯ আৰু ১ ২০০৮ তাৰিখে আৰম্ভ হয় মহাবিদ্যালয় সপ্তাহ। উক্ত মহাবিদ্যালয় সপ্তাহ উদ্ধোধন কৰে মান শ্ৰীগিৰিধৰ শৰ্মা, কামৰূপ জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপৰেশ বড়োৱে। ছাত্ৰ- ছাত্ৰী সক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিভাগীয় সম্পাদক/সম্পাদিকা সকলে ছাত্ৰ-ছাত্ৰীৰ শাৰিৰী আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক অভিনৱ পদক্ষেপ গ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহ সামৰিণি সভাত আমন্ত্ৰিত অতিথি হিচাপে উন্নয়ন বিষয়া ভাৰতীয় জীৱন বীমা নিগম, গুৱাহাটী শ্ৰীগগন উপাধ্যক্ষ পূৰ-কামৰূপ মহাবিদ্যালয় শ্ৰীমোহন ডেকা, পাতিদৰং মহাবিদ্যালয় পৰিচালনা সমিতি শ্ৰীবিৰেন্দ্ৰ নাথ ডেকাদেৱ আদিয়ে অংশ গ্ৰহণ কৰে। উক্ত অনুষ্ঠানটো চলাই নিয়ে মাননীয় অধ্যক্ষ শৰ্মাদেৱে লগতে বিভাগীয় সম্পাদক/ সম্পাদিকা সকলে বিভিন্ন বিষয়ত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ

টা প্ৰদান কৰাৰ অন্তত সফলভাৱে পৰিসমাপ্তি হয় মহাবিদ্যালয় সপ্তাহ।

বিভিন্ন উৎসৱ ঃ- ধাৰাবাহিকতা ৰক্ষা কৰি পৰ্যায়ক্ৰমে সৰস্বতী পূজা, বাথৌ পূজা, ফাতেহাঃইঃ দোৱাজ হিম আদি দৰ্ণীয় পৰম্পৰাৰে উদ্‌যাপন কৰা হয়।

নৱাগত আদৰণি সভা ঃ- মহাবিদ্যালয়ৰ নবাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক ভাৱে আদৰাৰ উদ্দেশ্যে ১ চেপ্তেম্বৰ ২০০৮ ইং তাৰিখে বৰ্ণাঢ্য কাৰ্য-ক্ৰমণিকাৰে অনুষ্ঠিত কৰা হয় ছাত্ৰ-চাত্ৰী সকলৰ আগ্ৰহৰ অনুষ্ঠান বাগত আদৰণি সভা। প্ৰতি সন্মিলনৰ জৰিয়তে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাৱৰ আদান-প্ৰদানৰ হিত আৰম্ভ হয় মুকলি সভা। মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীগিৰিধৰ শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত ক্ত সভাত ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত, অসম, শ্ৰীচন্দ্ৰ কুমাৰ শৰ্মা, উন্নয়ন বিষয়া ভাৰতীয় জীৱন বীমা নিগম, ৱাহাটী শ্ৰীগগন চন্দ্ৰ ডেকা,বোলছবি জগতৰ খ্যাতনামা অভিনেত্ৰী শ্ৰীচেতনা দাস, কামৰূপ জিলা ছাত্ৰ স্থাৰ সভাপতি শ্ৰীশুভৰাম দাস লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলৰ গণ্য-মান্য ক্তি সকল উপস্থিত থাকি সভাখনৰ শোভা বৃদ্ধি কৰে। সভাখনত মহাবিদ্যালয়ৰ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী সকলৰ নি পৰশা গীত মাতৰ সাংস্কৃতিক অনুষ্ঠানে নৱাগত সভাখন আৰু অধিক আনন্দদায়ক কৰি তোলে। এয়ে মাৰ কাৰ্য্যকালৰ উল্লেখযোগ্য অনষ্ঠান।

পুথি ভঁৰালৰ কিতাপ যোগান ঃ- মোৰ কাৰ্য্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে উন্নয়ন বিষয়া ভাৰতীয় জীৱন বীমা নিগম গুৱাহাটী, শ্ৰীগগন চন্দ্ৰ ডেকাদেৱে কিছুমান অত্যাৱশ্যকীয় কিতাপ যোগান ধৰি মহাবিদ্যালয়ৰ কিছু সমস্যা দূৰ কৰে।

অনুভৱ ঃ- সমসাময়িক ভাৱে অন্যান্য মহাবিদ্যালয়ৰ তুলনাত যথেষ্ট সুবিধা নাথাকিলেও এজন "প্ৰকৃত মানুহ" হিচাপে প্ৰতিষ্ঠা হোৱাত আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ আছে। এনে এক মহান প্ৰতিষ্ঠানৰ ৩০ বছৰীয়া ইতিহাসত সাধাৰণ সম্পাদকৰ দৰে পদত বিপুল ভোটত জয়ী হোৱাটো মোৰ বাবে সদায় স্মৰণীয় হ'ব। তদুপৰি পাতিদৰং মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীয়ে মোক যিধৰণে সহায়-সহযোগিতা আগবড়ালে তাক মই শলাগ নলৈ নোৱাৰো। আশাকৰো ভৱিষ্যৎ প্ৰজন্মই পাতিদৰং মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া, সাহিত্যৰ লগতে সৰ্বাংগীন দিশত শস্য শ্যামলা কৰি তুলিব।

সদৌ শেষত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, অধ্যাপক-আধ্যাপিকা, কৰ্মচাৰী, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী আৰু সমূহ ৰাইজৰ ওচৰত মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ শুধৰণি বিচাৰি অপৈনত বুদ্ধিমত্তা আৰু সাধ্যানুসাৰে লিখা প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

অমল চন্দ্ৰ বড়ো
সাধাৰণ সম্পাদক
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ সন্থা
২০০৭-২০০৮ ইং চন।

# আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকল বীৰ-বীৰাঙ্গনাই হাঁহিমুখে নিজৰ অমূল্য জীৱন ত্যাগ কৰিলে সেই সকল জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদলৈ মোৰশত সহস্ৰ শ্ৰদ্ধাঞ্জলি নিবেদিলো। লগতে সেই সকল ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো যিসকল ব্যক্তিয়ে কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু দূৰদৰ্শিতাৰে আমাৰ এই পাতিদৰং মহাবিদ্যালয়খন স্থাপন কৰিলে। পাতিদৰং মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে আস্থা সহকাৰে ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত মোক আলোচনী সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ পদত নিৰ্ব্বাচিত কৰিলে সেই সকললৈ অকৃত্ৰিম মৰম, ভালপোৱা আৰু চিৰদিনৰ বন্ধুত্বৰ প্ৰতিশ্ৰুতি থাকিল।

পাতিদৰং মহাবিদ্যালয়ৰ দৰে এখন পবিত্ৰ উচ্চ শিক্ষানুষ্ঠানৰ আলোচনী সম্পাদক হৈ ধন্য হৈছো আৰু দৃঢ় সংকল্প কৰিছিলো যে পাতিদৰং মহাবিদ্যালয়ত এক নতুন আৰু শক্তিশালী সাহিত্যৰ পৰিবেশ গঢ়ি তুলিম। তাৰোপৰি মহাবিদ্যালয়ৰ সময়োপযোগীকৈ মহাবিদ্যালয় আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ কৰিম।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমি ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে আলোচনা কৰি ইং ৭, ৮, ৯ আৰু ১০ জানুৱাৰী, ২০০৮ তাৰিখৰ পৰা মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ দিন ঠিক কৰিলো। সময়ৰ লগে লগে মহাবিদ্যালয় সপ্তাহৰ সেই দিনটো আহিল। পতাকা উত্তোলন, শ্বহীদ তৰ্পনকে ধৰি বিভিন্ন কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহৰ শুভ উদ্বোধন কৰা হ'ল। তাৰ পাছত পৰ্যায়ক্ৰমে প্ৰতিগৰাকী সম্পাদকৰ নিজৰ নিজৰ বিভাগীয় প্ৰতিযোগীতাবোৰ অনুষ্ঠিত কৰা হ'ল। মোৰ বিভাগৰ পৰা অনুষ্ঠিত কৰা প্ৰতিযোগীতাবোৰ আছিল — (১) নিৰ্বাচিত কবিতা আবৃত্তি, (২) স্বৰচিত কবিতা আবৃত্তি, (৩) আলোচনী বেটুপাত অংকন প্ৰতিযোগিতা, (৪) ভেশচন প্ৰতিযোগিতা ইত্যাদি। দুখৰ বিষয় এইটো যে কিছুমান প্ৰতিযোগিতা প্ৰতিযোগিৰ অভাৱত বাতিল কৰিব লগাও হয় আৰু অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰৰ বাবেও বহু ছাত্ৰ-ছাত্ৰীক সম্পাদকে মাতি আনিব লগাও হৈছে। বাৰু যি কি নহওক আগন্তুক দিনবোৰত এনে সমস্যা যাতে উদ্ভৱ নহয় তাৰ বাবে মই খুবেই আশাবাদী।

মহাবিদ্যালয় সপ্তাহৰ সময়ত আলোচনী বিভাগৰ ফালৰ পৰা কিছু ব্যতিক্ৰম আৰু অত্যাধুনিক ৰূপত প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰা হয়। মহাবিদ্যালয়ৰ পৰম্পৰা অনুসৰি এই প্ৰাচীৰ পত্ৰিকাখন বছৰত দুবাৰ কৈ প্ৰকাশ কৰা হয়। আৰু মোৰ কাৰ্য্যকালতো এই প্ৰাচীৰ পত্ৰিকাখন মহাবিদ্যালয় সপ্তাহত এবাৰ আৰু নৱাগত আদৰণি সভাত দ্বিতীয়বাৰৰ বাবে প্ৰকাশ কৰা হয়। মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাবোৰে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি বিকাশ সাধন কৰাত গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে আৰু মহাবিদ্যালয় সমূহত এনে প্ৰাচীৰ পত্ৰিকাৰ ভূমিকা আলোচনীতকৈকোনোগুনে কম নহয়। মহাবিদ্যালয়ৰ এই প্ৰাচীৰ পত্ৰিকাখন আগন্তুক দিনবোৰতো চিৰ নতুন হৈ জীয়াই থাকিব আৰু ইয়াক জীয়াই ৰাখিবলৈ পিছৰ চামেও সদায় যত্নপৰ হ'ব বুলি

মই আশাবাদী।

উক্ত প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰাৰ সফলতাৰ ভাগ সেইসকল মহান ব্যক্তিকো দিব লাগিব যিসকল লেখক লেখিকাই প্ৰাচীৰ পত্ৰিকাৰ বাবে লিখনি দি প্ৰাচীৰ পত্ৰিকাখন সৌন্দৰ্য্য বৃদ্ধি কৰিলে আৰু যি দু-গৰাকী শ্ৰদ্ধেয় ছাৰে উন্মোচন কৰিলে সেই দুজন ক্ৰমে তপন কুমাৰ শৰ্মা আৰু দুলাল শৰ্মাদেৱক মই বিশেষ ভাবে শ্ৰদ্ধা নিবেদিছো।

মোৰ কাৰ্য্যকালত বিভিন্ন সময়ত উৎসাহ আৰু সহায়ৰ হাত আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু বিভিন্ন বিষয়ৰ ছাৰ-বাইদেউ সকললৈ বিশেষ ভাৱে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো আৰু পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা জনাইছো। যিসকল বন্ধুৰ নিস্বাৰ্থ সহায়ৰ কথা মই কোনোদিনে পাহৰিব নোৱাৰিম।

আগতীয়া বিশেষ অভিজ্ঞতা নোহোৱাকৈ আলোচনী এখন সম্পাদনা কৰাতো সিমান সহজ কথা নহয়। বহু চেষ্টা কৰিও বাৰে বাৰে উজুটি খাইছো যেন অনুভৱ হৈছে। তাৰোপৰি সম্পাদক এজনৰ প্ৰধান দায়িত্ব থাকে আলোচনীখন কাৰ্য্যকালৰ ভিতৰত নিৰ্ভুল আৰু উন্নতমান কৰি প্ৰকাশ কৰি উলিওৱাৰ উপৰি আলোচনীত অন্তৰ্ভুক্ত লেখাবোৰ ছাত্ৰ সমাজৰ মাজত কিছু হলেও গুণগত ভাৱে সাক্ষ্যবহন কৰিব পাৰে। এই ক্ষেত্ৰত ময়ো গুৰুত্ব নিদিয়াকৈ থকা নাই কিন্তু লিখনি বিছাৰি জাননী দি যেতিয়া লিখনিৰ অভাৱ পূৰণ কৰিব নোৱাৰিলো তেতিয়া ব্যক্তিগত ভাৱে লগ কৰি হলেও ছাত্ৰ-ছাত্ৰীৰ পৰা লিখনি সংগ্ৰহ কৰিবলৈ ধৰিলো। সময়মতে লিখনি নোপোৱাৰ বাবে বহু সমস্যাই দেখা দিছিল তাৰ পৰা মই মুক্তি পাব নোৱাৰিলো। গতিকে এনে ধৰণৰ পৰিস্থিতিত এখন সৰ্বাংগসুন্দৰ আলোচনী প্ৰকাশৰ ক্ষেত্ৰত কেনে ত্যাগ কৰিবলগীয়া হয় সেইটো আপোনালোকে নিশ্চিয় অনুমান কৰিব পাৰিব। তাৰোপৰি মহাবিদ্যালয়ৰ নিৰ্ধাৰিত আলোচনী শিতানৰ পুজিৰে মহাবিদ্যালয় পৰ্য্যায়ৰ আলোচনী এখনৰ কোনোপধ্যে সন্তোষজনক নহয়। সেয়েহে আবন্তনৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ মনোযোগ কামনা কৰিলো।

সদৌ শেষত যিসকল সুহৃদয় বন্ধু-বান্দৱীৰ উৎসাহ প্ৰেৰণা আৰু সহযোগত পাতিদৰং মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰিব পৰা গ'ল সেই সকললৈ পুনৰবাৰ মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰি ইয়াতে সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

"জয়তু পাতিদৰং মহাবিদ্যালয়"

"জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"।

অম্বিকা প্ৰসাদ বড়ো<br>
সম্পাদক, আলোচনী বিভাগ<br>
২০০৭-২০০৮ ইং বৰ্ষ।

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যি সকল মহান ব্যক্তিৰ চৰম ত্যাগ আৰু একান্তিক চেষ্টাত আমাৰ পাতিদৰং মহাবিদ্যালয়খনে আজিৰ এই অৱস্থা লাভ কৰিলে সেইসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো।

শিক্ষাৰ ক্ষেত্ৰত খেলা-ধূলা এটা অপৰিহাৰ্য্য অংগ। বৰ্তমান যুগত ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে খেল-ধেমালি এটা গুৰত্বপূৰ্ণ বিভাগ।

ক্ৰীড়া সম্পাদকৰ দায়িত্বত থকা খেলসমূহ সুকলমে পৰিচালনা কৰিব পাৰিছো নে নাই, সেয়া আপোনালোকৰ বিচাৰ্য। সীমিত অৰ্থৰে কৰা কামত কোনো ক্ৰতি হোৱা নাই নিশ্চয়।

সমস্যা অসীম। বিভাগীয় কিঞ্চিত অৰ্থৰে সকলোবোৰ সমস্যা সমাধান কৰা অসম্ভৱ। মোৰ কাৰ্যকালত বাৰুকৈ জুৰুলা কৰা উল্লেখনীয় সমস্যাবোৰৰ ভিতৰত উপযুক্ত খেলৰ সামগ্ৰী, উপযুক্ত ক্ৰীড়াংগনৰ অৰ্থ্যভাৱ আদিয়ে প্ৰধান।

মোৰ কাৰ্যকালত প্ৰতিটো মূহুৰ্ততে সু-পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত গিৰিধৰ শৰ্মা, প্ৰবক্তা শ্ৰী তপন শৰ্মা ছাৰ, দুলাল শৰ্মাছাৰ, মুকুটৰ ৰহমান ছাৰ, দ্বিপেন শৰ্মাছাৰ বাকী কেইজন ছাৰ-বাইদেউ সকলেওঁ মোক সহায়-সহযোগ কৰিছে এই সুযোগতে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ- ২০০৭-০৮ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ খেল সম্পাদক ৰূপে মই পাতিদৰং মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱীলৈ মই হৃদয় ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সুপ্ত প্ৰতিভাই থমকি নৰৈ বিকাশপ্ৰাপ্ত মাধ্যমলৈ বাগৰি গৈ যি ৰূপ ধাৰণ কৰে তাতে আমিবোৰ ক্ষুব্ধ নহে নোৱাৰো অৰ্থাৎ প্ৰতিভাৰ মৃত্যু নাই। দেহ-মনৰ উৎকৃষ্ট সাধনাই হ'ল খেল। এই গুৰুত্বপূৰ্ণ বিভাগ আগবঢ়োৱা পিছত হাত উজানি দি সহায় কৰা সকলক পুনৰ সোঁৱৰিছো। মোৰ অভিজ্ঞতা সীমিত। সেয়ে অজানিতে হৈ যোৱা ভুল-ক্ৰতিৰ বাবে ক্ষমা বিচাৰিছো। শেষত এই মহান শিক্ষা অনুষ্ঠানটিৰ উন্নতি কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

।। জয় আই অসম।।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে--

*শ্ৰীসমৰ জ্যোতি কলিতা (দুল)*

খেল সম্পাদক ২০০৭-০৮ ইং বৰ্ষ।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



দেশ মাতৃৰ হকে প্ৰাণ ত্যাগ কৰা আৰু পাতিদৰং মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত আগভাগ লওতাসকলক মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে গুৰুদায়িত্ব অৰ্পন কৰি যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক যি সুবিধা দিলে সেইসকলক প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা যাচিছো।

আমাৰ ছাত্ৰ একতা সভাৰ সতীৰ্থসকলৰ সৈতে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত আমি মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলো। মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ যি কৰণীয় আছিল কৰি সমাধান কৰিলোঁ। মোৰ এই চমু কাৰ্যকালছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে বন্ধু-বান্ধৱী চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী সকল আৰু চাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ কাৰ্য্যকালত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভূল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"
জয় আই অসম।।

খাইৰুল আলী (জুন)
সম্পাদক, সাংস্কৃতিক বিভাগ।
২০০৭-০৮ ইং বৰ্ষ।

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক-মুহূৰ্ততে মই অসমৰ তেজে ধোৱা ক্ষতিট মুৰ থৈ অসমৰ বিভিন্ন দাবী প্ৰতিষ্ঠা কৰিবলৈ গৈ যিসকলে তেওঁলোকৰ অমূল্য জীৱনক দেশ মাতৃৰ পূজাৰ বেদিত উছৰ্গিলে সেই সকল বীৰ শ্বহীদক মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

২০০৭-০৮ ইং চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'ছাত্ৰ জিৰণী কোঠাৰ' সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সদস্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়ে বহুকথা ভাবিছিলো, বহুত পৰিকল্পনা হাতত লৈছিলো, কিন্তু মহাবিদ্যালয়ৰ আৰ্থিক অভাৱৰ বাবে কিছুমান সমস্যা সমাধান কৰিব নোৱাৰিলো।

জিৰণী কোঠাৰ সম্পাদক হিচাপে এবছৰৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ দায়িত্ব পৰিছিল মোৰ হাতত। সেই উদ্দেশ্যে মহাবিদ্যালয়ৰ সপ্তাহ অনুষ্ঠিত হৈ যায়। তাত জিৰণী কোঠাৰ সম্পাদকৰ ফালৰ পৰাওঁ কিচুখেল অনুষ্ঠিত হয়, কিন্তু ইয়াৰ দ্বাৰা কিমান সফল হব পাৰিছো, সেইটো আপোনালোকৰ বিচাৰ যোগ্য।

সুদীৰ্ঘ বছৰটোত হয়তো মোৰ কৰনীয় কাম বহুতো বৈ গ'ল। মহাবিদ্যালয়ত এটা ছাত্ৰ জিৰণী কোঠা অতি প্ৰয়োজন অনুভৱ কৰিয়েই নানা সমস্যাৰ মাজতো জিৰণী কোঠাৰ কাম হাতত লোৱা হৈছিল। কিন্তু দুখৰ বিষয় সম্পূৰ্ণ হৈ নুঠিল। গতিকে প্ৰতিবেদনৰ যোগেদিয়েই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁযে যাতে ছাত্ৰ সকলৰ সুবিধাৰ্থে এটি উপযুক্ত ছাত্ৰ জিৰণী কোঠাৰ লগতে সামগ্ৰী সমূহ অতি সোনকালে যোগান ধৰি ব্যক্তিত্ব বিকাশত উদ্‌গনি দিয়ে।

সদৌ শেষত মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যকে মোৰ মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"
"জয়তু পাতিদৰং মহাবিদ্যালয়"

ধন্যবাদেৰে—
শ্ৰীৰাজকুমাৰ নাথ
সম্পাদক, ছাত্ৰ জিৰণী কোঠা।

"সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দৰে আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পূৱাৰ ৰঙা বেলিৰ ছবি আকিব পৰা শিল্পীহে আমাক লাগে।"

— ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া জাতীয় বীৰ শ্বহীদ সকলৰ চৰণত মোৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলোঁ।

যোৱা ২০০৭-০৮ বৰ্ষত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ দায়িত্ব পালন কৰি মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহত মোৰ বিভাগৰ খেলসমুহ সুকলমে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছো।

মহাবিদ্যালয়খনত জন্মৰে পৰা ছাত্ৰী জিৰণি কোঠাৰ অভাৱ পৰিলক্ষিত হৈ আহিছে। তথাপি আশা ৰাখিছো যে অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়খনত এই অভাৱ পূৰণ হ'ব.

সদৌ শেষত মোৰ কাৰ্যকালত মোক সহায় কৰা মোৰ বন্ধু-বান্ধৱী ক্ৰমে বীণা, জোনালী, ৰেখা, মিনুৱাৰা, জয়া, অৰূপ, ফাৰুক, ৰাহুল, ঋতুৰাজ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই সময়ছোৱাত মোৰ কাৰ্যকালত হৈ যোৱা ভুল-ত্ৰুতিৰ ক্ষমা বিচাৰি পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

"জয় আই অসম"
"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে–
মিছ গোলেষ্টাৰ বেগম
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা।

# অষ্টাদশ বাৰ্ষিক
# পাতিদৰং মহাবিদ্যালয় প্ৰতিভা সপ্তাহৰ ফলাফল

১। ল'ৰাৰ ৪০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ হুছেইন আলী ( স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ মইনুল হ'ক (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ অমল দাস (স্নাতক তৃতীয় বৰ্ষ)
২। ছোৱালীৰ ২০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ কল্যাণী বড়ো (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ গীতাঞ্জলী বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ ববিতা ৰাজবংশী (স্নাতক তৃতীয় বৰ্ষ)
৩। ল'ৰাৰ ২০০ মিটাৰ দৌৰ ঃ
প্ৰথম ঃ অমল দাস (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় ঃ হুছেইন আলী (স্নাতক প্ৰথম বৰ্ষ)
৪। ল'ৰাৰ ওজন দলিওৱা ঃ
প্ৰথম ঃ হুছেইন আলী (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ৰাজীৱ ৰাজবংশী (স্নাতক তৃতীয় বৰ্ষ)
তৃতীয় ঃ ইউচুফ আলী (স্নাতক তৃতীয় বৰ্ষ)
৫। ছোৱালীৰ ওজন দলিওৱা ঃ
প্ৰথম ঃ গীতাঞ্জলী বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ববিতা (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ দিপিকা (স্নাতক তৃতীয় বৰ্ষ)
৬। ছোৱালীৰ ডিছ্‌কাছ থ্ৰো ঃ
প্ৰথম ঃ ববিতা ডেকা (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ গীতাঞ্জলী বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ চালমা চুলতানা (স্নাতক তৃতীয় বৰ্ষ)
৭। ল'ৰাৰ ডিছ্‌কাছ থ্ৰো ঃ
প্ৰথম ঃ অমল বড়ো (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ আব্দুল ছাত্তাৰ (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ ৰেকিবুদ্দিন আহমেদ (স্নাতক প্ৰথম বৰ্ষ)
৮। ল'ৰাৰ জেৱলিং থ্ৰো ঃ
প্ৰথম ঃ ৰাজীৱ ৰাজবংশী (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় ঃ খাইৰুল আলী (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ মুকুত বড়ো (স্নাতক প্ৰথম বৰ্ষ)
৯। ছোৱালীৰ জেৱলিং থ্ৰো ঃ
প্ৰথম ঃ ববিতা ডেকা (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ চালমা চুলতানা (স্নাতক তৃতীয় বৰ্ষ)
তৃতীয় ঃ মিনুৱাৰা বেগম (স্নাতক তৃতীয় বৰ্ষ)
১০। পাঞ্জা খেল ঃ
প্ৰথম ঃ ৰাজীৱ ৰাজবংশী (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় ঃ বিক্ৰম শৰ্মা (স্নাতক দ্বিতীয় বৰ্ষ)
১১। ছোৱালীৰ লং জাম্প ঃ
প্ৰথম ঃ গীতাঞ্জলী বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ মিনুৱাৰা বেগম (স্নাতক তৃতীয় বৰ্ষ)
১২। ল'ৰাৰ হাই জাম্প ঃ
প্ৰথম ঃ আব্দুল চাট্টাৰ (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ অমল দাস (স্নাতক তৃতীয় বৰ্ষ)
তৃতীয় ঃ অজিত কলিতা (স্নাতক প্ৰথম বৰ্ষ)
১৩। ছোৱালীৰ হাই জাম্প ঃ
প্ৰথম ঃ মিনুমা বেগম (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় ঃ গীতাঞ্জলী বৈশ্য (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ ববিতা ডেকা (স্নাতক দ্বিতীয় বৰ্ষ)
১৪। ল'ৰাৰ লং জাম্প ঃ
প্ৰথম ঃ আব্দুল ছাত্তাৰ (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ৰেকিবুদ্দিন আহমেদ (স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ চহিদুল আলম (স্নাতক প্ৰথম বৰ্ষ)
১৫। ক্ৰিকেট দল ঃ
(ক) ৰাজীৱ ৰাজবংশী (অধিনায়ক)
(খ) বিক্ৰম শৰ্মা
(গ) অমল চন্দ্ৰ বড়ো
(ঘ) অখিল ডেকা (মেন অফ দা মেচ- ৬৯ ৰান/৪ ইউকেট)
(ঙ) নব
(চ) অলকেশ
(ছ) পলাশ নাথ
(জ) ৰাজকুমাৰ নাথ
(ঝ) অৰূপ ডেকা
(ঞ) জাইদুল
(ট) আমিনুৰ
১৬। কাবাডী
(ক) গীতাঞ্জলি বৈশ্য (দলপতি)
(খ) উৰ্মিলা কাকতি
(গ) সবিতা মণ্ডল
(ঘ) অঞ্জলী ডেকা
(ঙ) মিনুৱাৰা বেগম
(চ) মৃদুলা তালুকদাৰ
১৭। লুডু খেল ঃ
নিলিমা খাতুন (স্নাতক তৃতীয় বৰ্ষ)
১৮। নিৰ্বাচিত কবিতা আবৃত্তিৰ ফলাফল ঃ
প্ৰথম ঃ মানসী পাটোৱাৰী (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ ইংকুমণি ডেকা (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ ছালমা চুলতানা (স্নাতক তৃতীয় বৰ্ষ)
১৯। স্বৰচিত কবিতা আবৃত্তিৰ ফলাফল ঃ
প্ৰথম ঃ ইংকুমণি ডেকা (সপোনৰ বালিঘৰ) স্নাতক প্ৰথম বৰ্ষ
দ্বিতীয় ঃ মানসী পাটোৱাৰী (আকৃতি) স্নাতক দ্বিতীয় বৰ্ষ
তৃতীয় ঃ ছালমা চুলতানা (শেৱালি) স্নাতক তৃতীয় বৰ্ষ
২০। বেটুপাত অংকন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ সমৰ জ্যোতি ডেকা (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ সংগীতা বৰ্মন (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ চন্দনা বৰ্মন (স্নাতক প্ৰথম বৰ্ষ)
২১। ভেশচন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ খালেকৰ ৰহমান (জাপানী চিকা) স্নাতক দ্বিতীয় বৰ্ষ
দ্বিতীয় ঃ সমৰজ্যোতি ডেকা (বেঙা) স্নাতক প্ৰথম বৰ্ষ
তৃতীয় ঃ ৰেকিবুদ্দিন আহমেদ (চাইকেল চোৰ) স্নাতক দ্বিতীয় বৰ্ষ
২৩। অন্তাক্ষৰী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ চানোৱাৰা বেগম (স্নাতক তৃতীয় বৰ্ষ)
নাজমা বেগম (স্নাতক তৃতীয় বৰ্ষ)
চালমা চুলতানা (স্নাতক তৃতীয় বৰ্ষ)
দ্বিতীয় ঃ সবিতা মণ্ডল (স্নাতক প্ৰথম বৰ্ষ)
অঞ্জলী কাকতি (স্নাতক প্ৰথম বৰ্ষ)
মৃদুলা তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)
২৪। মুকাভিনয় প্ৰতিযোগিতা ঃ
প্ৰথম ঃ সমৰ ডেকা (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ ৰেকিবুদ্দিন আহমেদ (স্নাতক প্ৰথম বৰ্ষ)
তৃতীয় ঃ ববিতা ডেকা (স্নাতক দ্বিতীয় বৰ্ষ)

# পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰাক্তন সম্পাদক সকল

| | | |
|---|---|---|
| ১। | শ্ৰীলংকেশ্বৰ ডেকা | ১৯৮৯-৯০ বৰ্ষ |
| ২। | মিছ্ সবিতা দাস | ১৯৯০-৯১ বৰ্ষ |
| ৩। | শ্ৰীতৰ্জন দাস | ১৯৯১-৯২ বৰ্ষ |
| ৪। | শ্ৰীবনমালী দাস | ১৯৯২-৯৩ বৰ্ষ |
| ৫। | শ্ৰীসত্যেন্দ্ৰ কলিতা | ১৯৯৩-৯৪ বৰ্ষ |
| ৬। | শ্ৰীকৃষ্ণকান্ত ডেকা | ১৯৯৪-৯৫ বৰ্ষ |
| ৭। | প্ৰকাশ নহ'ল | ১৯৯৫-৯৬ বৰ্ষ |
| ৮। | শ্ৰীভৈৰৱ ডেকা | ১৯৯৬-৯৭ বৰ্ষ |
| ৯। | শ্ৰীকমল নাৰায়ণ বৈশ্য | ১৯৯৭-৯৮ বৰ্ষ |
| ১০। | মহঃ মোজাম্মিল হক | ১৯৯৮-৯৯ বৰ্ষ |
| ১১। | শ্ৰীতপন চন্দ্ৰ ডেকা | ১৯৯৯-২০০০ বৰ্ষ |
| ১২। | শ্ৰীনৱজিৎ ডেকা | ২০০০-২০০১ বৰ্ষ |
| ১৩। | মহঃ নজৰুল ইছলাম | ২০০১-২০০২ বৰ্ষ |
| ১৪। | শ্ৰীৰমণী শৰ্ম্মা | ২০০২-২০০৩ বৰ্ষ |
| ১৫। | মহঃ মোস্তাকিন হক | ২০০৩-২০০৪ বৰ্ষ |
| ১৬। | শ্ৰীমিণ্টুল কুমাৰ বেজবৰুৱা | ২০০৪-২০০৫ বৰ্ষ |
| ১৭। | শ্ৰীহেৰম্ব শৰ্ম্মা | ২০০৫-২০০৬ বৰ্ষ |
| ১৮। | শ্ৰীৰাকেশ কুমাৰ ডেকা | ২০০৬-২০০৭ বৰ্ষ |